# অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাসিকৰ অসমীয়া **DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প ।


তত্বাৱধায়ক
ড° বৰ্ণালী শইকীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

শিৰাণী শইকীয়া
প্ৰস্তুতকৰ্তা
শিৰাণী শইকীয়া
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
**Roll No - 30810158**
**Registration No-S1921761**



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং-২০২২ বৰ্ষ



Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট ,অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭.০৭.২০২২

## প্ৰমাণ পত্ৰ

শ্ৰীমতী শিৱাণী শইকীয়া স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৫৮) ৰ ছাত্ৰী। তেওঁ ড° বর্ণালী শইকীয়াৰ তত্বাৱধানত **DSE3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
# স্থাপিত ঃ ১৯৫৯
# প্ৰমাণ-পত্ৰ

তাং ঃ ০৭-০৭-২০২২

শ্ৰী/শ্ৰীমতী শিৰাণী শইকীয়া স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ (ৰোল নং -30810158), (Registration No-S1921761) ছাত্ৰ/ছাত্ৰী। তেওঁ মোৰ তত্বাৱধানত DSE-3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বৰ্ণালী শইকীয়া
তত্বাৱধায়ক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

Department of Assamese
Date ............

Scanned by CamScanner

## কৃতজ্ঞতা জ্ঞাপন

অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ “লোক পৰিৱেশ্য কলা” এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক গৱেষণা গ্ৰন্থখন বৰ্ণালী শইকীয়া বাইদেউ তত্বাৱধানত প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা গৱেষণা কাৰ্যৰ চূড়ান্ত ৰূপ দিয়ালৈকে আৰু এই দিশত হোৱা বিভিন্ন সমস্যাসমূহৰ সমাধানত বৰ্ণালী শইকীয়া বাইদেউৱে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়ালে তেখেতৰ ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো আগবঢ়োৱা সুচিন্তিত পৰামৰ্শ তথা প্ৰেৰণাই আমাক কৃতাৰ্থ কৰিছে। তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ তথা ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ অন্যতম সংগঠক ড° যোগেশ্বৰ বড়া ছাৰৰ সহায় এই গৱেষণা কাৰ্যত যথেষ্ট অৰিহণা যোগালে তেখেতৰ ওচৰতো বিশেষভাৱে কৃতজ্ঞ হৈ ৰ'লো।

গৱেষণা গ্ৰন্থৰ বাবে বিভিন্ন তথ্য সম্পৰ্কে সম্ভেদ দি মোৰ গৱেষণা গ্ৰন্থৰ সহযোগিতা আগবঢ়োৱা তিতাবৰ ২ নং বেবেজীয়া কছাৰী গাঁৱৰ ভুৱন বড়া, সুচিত্ৰা কছাৰীক ধন্যবাদ জনালোঁ আৰু লগতে ন-পাম গাঁৱৰ মোহন কছাৰীকো ধন্যবাদ জনালোঁ।

মোৰ এই গৱেষণা কৰ্মৰ বাবে আগবঢ়োৱা অনুমতি প্ৰদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰসমূহ কৰ্মকৰ্তাক ধন্যবাদ জনালোঁ।

ডি.টি.পি.ত সহায় কৰা মুনমী দত্ত, গৱেষণাৰ ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দিয় সহায় কৰা মোৰ মৰমৰ বান্ধৱী মিতালী দত্ত, মণিকা বড়া, সুস্মিতা বড়া, মানসী কছাৰী আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায়-সহযোগিতা আগবঢ়োৱা মা, দেউতা ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

শিৰাণী শইকীয়া


Scanned by CamScanner

# সূচীপত্ৰ


| অধ্যায় | বিষয় | | পৃষ্ঠা |
|---|---|---|---|
| | কৃতজ্ঞতা জ্ঞাপন | | |
| | তত্বাৱধায়কৰ প্ৰমাণ পত্ৰ | | |
| | বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ | | |
| ০.০০ | প্ৰস্তাৱনা | | |
| প্ৰথম অধ্যায় | | | |
| ১.০০ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয় | ঃ | ১-৮ |
| দ্বিতীয় অধ্যায় | | | |
| ২.০০ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা | ঃ | ৯-১৬ |
| ২.০১ | ঠেঙ্গাল কছাৰীসকলৰ হুঁচৰিত কছাৰী ছেও নাচ | ঃ | ৯ |
| ২.০২ | ঠেঙ্গাল কছাৰীসকলৰ মৃদঙ্গীয়া গায়ন-বায়ন | ঃ | ১১ |
| ২.০৩ | ঠেঙ্গাল কছাৰী নাৰীসকলৰ খোলাং বুঢ়ী নাচ | ঃ | ১৩ |
| | সিদ্ধান্ত | ঃ | ১৭ |
| | উপসংহাৰ | ঃ | ১৮ |
| | প্ৰসঙ্গসূচী | ঃ | ১৯ |
| | গ্ৰন্থপঞ্জী | ঃ | ২০ |
| | তথ্য দাতাৰ তালিকা | ঃ | ২১ |


Scanned by CamScanner

# প্ৰস্তাৱনা

**০.০১ বিষয়ৰ পৰিচয় আৰু পৰিসৰ ঃ** অসম বিভিন্ন জাতিগোষ্ঠীসমূহৰ এক মিলন ভূমি। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এই ঐশ্বৰ্যশালী অসম ভূমিলৈ বিভিন্ন জাতি-জনগোষ্ঠীসমূহ প্ৰব্ৰজন হৈ আহিছে। সুদূৰ অতীততে অসমলৈ অষ্টিক গোষ্ঠীৰ পিছত মঙ্গোলীয় গোষ্ঠীৰে প্ৰব্ৰজন ঘটা বুলি গৱেষকসকলে কৰা সিদ্ধান্তক ঐতিহাসিকভাৱে শুদ্ধ আৰু সৰ্বসন্মত বুলি কৰা গ্ৰহণ কৰা হৈছে। অতীজতে মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে অসমত থিতাপি লৈ সমতল ভূমি বা ব্ৰহ্মপুত্ৰ উপত্যকাত অন্ন বস্ত্ৰ আৰু বাসস্থানৰ নিৰাপদ ভৌগোলিক অৱস্থান নিৰূপণ কৰি লৈছিল। পাছলৈ গোটেই অসমজুৰি ঠাল-ঠেঙুলীৰে সম্প্ৰসাৰিত হ'ল। এই মঙ্গোলীয় গোষ্ঠীৰে এটা ঠাল হ'ল ঠেঙ্গাল কছাৰী জনগোষ্ঠী। অসমীয়া সংস্কৃতিলৈ ঠেঙ্গাল কছাৰীসকলৰ বিশিষ্ট অৱদান আছে। সাংস্কৃতিক দিশত ঠেঙ্গাল কছাৰীসকল সমৃদ্ধিশালী। অসমীয়া সংস্কৃতিলৈ ঠেঙ্গাল কছাৰীসকলৰ বিশিষ্ট অৱদান আছে। ঠেঙ্গাল কছাৰীসকল লোক পৰিৱেশ্য কলাত যথেষ্ট চহকী। লোক জীৱনৰ বিশিষ্ট অংগ হ'ল লোক পৰিৱেশ্য কলা। ঠেঙ্গাল কছাৰীসকলৰো পৰম্পৰাগত জীৱনত এনে ভাৱ-অনুভূতি তথা আনন্দ প্ৰকাশক কিছু অনুষ্ঠান প্ৰচলন আছে। যিবোৰ পৰিৱেশ্য কলাত ৰক্ষা হোৱা দেখা যায়। তেওঁলোকৰ সামাজিক পৰম্পৰাকে ধৰি নৃত্য-গীত-অভিনয় ইত্যাদি সকলোবোৰ স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ সেয়েহে অসমৰ ঠেঙ্গাল কছাৰীসকলৰ 'লোক পৰিৱেশ্য কলা শীৰ্ষক বিষয়টোৰ ওপৰত এই গৱেষণা পত্ৰখনিত পৰিচয় সহ আলোচনা কৰা হৈছে।

ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা সম্পৰ্কে আলোচনা কৰিবলগীয়া মূল বিষয়সমূহ হ'ল হুঁচৰিত কছাৰী ছেও নাচ, মৃদঙ্গীয়া গায়ন-বায়ন, খোলাং বুঢ়ী নাচ আৰু খোলাং বুঢ়ী নাচৰ গীত-নাট্যভিনয় বাদ্য এই গৱেষণা পত্ৰখনিত থূল মূলকৈ আলোচনা কৰা হৈছে।

**০.০২ লক্ষ্য আৰু উদ্দেশ্য ঃ** গৱেষণাৰ ঘাই লক্ষ্য হ'ল- কোনো এটা বিষয় সম্পৰ্কে সত্য অন্বেষণ কৰা আৰু তাৰ দ্বাৰা বিষয়টো সম্পৰ্কে নতুন জ্ঞান তথ্য আৰু সিদ্ধান্ত আগবঢ়োৱা। এই গৱেষণা পত্ৰৰ যোগেদি ঠেঙ্গাল কছাৰীসকলে আগবঢ়োৱা অৱদান হুঁচৰিত কছাৰী ছেও নাচ, মৃদঙ্গীয়া গায়ন-বায়ন, খোলাংবুঢ়ী নাচ আলোচনা কৰা হ'ব। তাৰোপৰি খোলাংবুঢ়ী নাচৰ গীত-নাট্যভিনয় বাদ্য এই সকলো বিলাক এই গৱেষণা পত্ৰখনিৰ যোগেদি আলোচনা কৰা হ'ব। ঠেঙ্গাল কছাৰী জনগোষ্ঠীসকলৰ হেৰাই যাবলৈ ধৰা কিছুমান লোক সংস্কৃতি নৱ-প্ৰজন্মৰ মাজলৈ উলিয়াই অনা আৰু সমাজৰ মাজত যাতে বৰ্তি থাকে সেই উদ্দেশ্যৰে গৱেষণা কৰা হৈছে।

**০.০৩ গৱেষণাৰ পদ্ধতি ঃ** গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। তথ্য সংগ্ৰহৰ বাবে ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে যদিও এই সম্পৰ্কে প্ৰকাশিত গ্ৰন্থ আদিৰ পৰা তথ্য গ্ৰহণ কৰা হৈছে।

**০.০৪ গৱেষণাৰ ক্ষেত্ৰ ঃ** ঠেঙ্গাল কছাৰীসকল অসমৰ উজনি অংশত বসবাস কৰি আহিছে। বৰ্তমান ঠেঙ্গাল কছাৰীসকল যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, কাৰ্বি আলং, নগাঁও, তেজপুৰ, লখিমপুৰ, ধেমাজি জিলাৰ বিভিন্ন অঞ্চলত বসবাস কৰি থকা দেখা পোৱা যায়। কিন্তু উজনি অসমৰ যোৰহাট জিলা হৈছে ঠেঙ্গাল কছাৰীসকলৰ মূল বাসস্থান। এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যোৰহাট জিলাৰ

Scanned by CamScanner

তিতাবৰ অঞ্চলক ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে বাছি লোৱা হৈছে।

০.০৫ **বিষয় বস্তুৰ পূৰ্বকৃত অধ্যয়ন ঃ** ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা সম্পৰ্কীয় গৱেষণালব্ধ অধ্যয়ন "অসমৰ ঠেঙ্গাল কছাৰী ইতিবৃত্ত"- শীৰ্ষক নন্দ বৰা দ্বাৰা ৰচিত গ্ৰন্থখনহে পোৱা যায়। গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোতে হাত পুথি হিচাপে লোৱা কিতাপ দুখন হ'ল মুকুট শৰ্মা দ্বাৰা ৰচিত ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ ঠেঙ্গাল দৰ্পন ২০০২,২০০৯,২০২২ সামগ্ৰীক ৰূপত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ বিভিন্ন বিষয়ক লৈ পদ্ধতিগত অধ্যয়নৰ অভাৱ পৰিলক্ষিত হয় যদিও বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গৱেষণা সমাপ্ত কৰা হ'ল- কৈলাশ দত্ত, বৰ্ণালী চেতীয়া, বৰ্ণালী শইকীয়া, বিনীতা দাস, জ্যোতিকা বৰা, মুনমী গগৈ আদি।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগত গৱেষণা কৰা গৱেষক কৈলাশ দত্তৰ বিষয় হ'ল "Ethmicity and Folklore: A Study Among the Thengal Kacharis of Assam." গ্ৰন্থখনিত কছাৰী জনগোষ্ঠীৰ মূল, জনসংখ্যা, সামাজিক জীৱন, সাংস্কৃতিক বৈশিষ্ট্য, সাংবিধানিক অৱস্থান, ভাষা-সাহিত্যৰ বিশ্লেষণ পোৱা যায়।

বৰ্ণালী চেতিয়াই আধুনিক ভাৰতীয় ভাষা বিভাগত "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনঃ এটি সমীক্ষাত্মক অধ্যয়ন" শীৰ্ষক বিষয়ত গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। এই গৱেষণা গ্ৰন্থখনত ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ পৰিচয় দাঙি ধৰা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰপৰা বৰ্ণালী শইকীয়াই প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থখনৰ বিষয় হ'ল- "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত নাৰীৰ ভূমিকাঃ পৰম্পৰা আৰু পৰিৱৰ্তন"। এই গৱেষণা গ্ৰন্থখনত ঠেঙ্গাল জনগোষ্ঠীৰ সামাজিক- সাংস্কৃতিক জীৱনত নাৰীৰ অৱদান, ভৌতিক সংস্কৃতিত নাৰীৰ ভূমিকা, নাৰীসকলৰ মৌখিক সাহিত্যৰ ওপৰত বিশ্লেষণ পোৱা যায়।

বিনীতা দাসে বুৰঞ্জী বিভাগৰ পৰা "The Life and Culture of the Thengal Kacharis of Upper Assam" শীৰ্ষক বিষয়টোত গৱেষণা প্ৰস্তুত কৰিছে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ পৰা "The Thengal of Assam: A Socialogical study" বিষয়ত জ্যোতিকা বৰাই গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে তাৰোপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুনমী গগৈয়ে সমাজতত্ত্ব বিভাগৰ পৰা এম. ফিল. ডিগ্ৰীৰ বাবে "Religious ceremonies of the Thengal Kacharis of Assam: A Sociological study in Jalukanibari Area of Jorhat District"- বিষয়ত গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰিছে। এই গ্ৰন্থখনত ঠেঙ্গাল কছাৰীৰ ইতিহাস, সামাজিক ঐতিহ্য, ধৰ্মীয় উৎসৱ পাৰ্বণৰ দিশসমূহৰ অধ্যয়ন কৰা হৈছে।

Scanned by CamScanner

## প্ৰথম অধ্যায়

### ১.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয় আৰু ইতিহাস ঃ

ঠেঙ্গাল কছাৰী লোকসকল অসমীয়া জাতিৰ অন্যতম অংগ। মঙ্গোলীয় প্ৰজাতিৰ পৰা উদ্ভৱ হোৱা বড়ো গোষ্ঠীৰ অন্যতম সম্প্ৰদায় কছাৰীসকল বিখ্যাত এক জনগোষ্ঠী। কছাৰীসকলৰে এটা ভাগ হৈছে ঠেঙ্গাল কছাৰীসকল। এই সম্প্ৰদায়ক অসমীয়া অভিধান হেমকোষত কোৱা হৈছে অসমৰ এজাতি আদিমবাসী কছাৰী বুলি।

চীনৰ ইয়াং চিকিয়াং আৰু হোৱাংহো নদীৰ পাৰত বসবাস কৰা চীন-তিব্বত ভাষা গোষ্ঠীৰ মঙ্গোলীয় লোকসকল খৃঃ ২০০০ চনৰ পৰা দলবদ্ধভাৱে অসম আৰু নেপাললৈ প্ৰব্ৰজন ঘটে। মঙ্গোলীয় (কিত) গোষ্ঠীৰ আবয়বিক বৈশিষ্ট্য হ'ল- 'গাৰু বৰণ পীত বা পিংগল, কেশ ক'লা, ডাঢ়ি গোফ তাকৰ, শৰীৰৰ নোম কম, মুখমণ্ডল বহল আৰু নাক চেপেটা। কপালস্থি বা হনু বৰ স্পষ্ট, নেত্ৰ ঠেক বা নেত্ৰ বক্ৰ, নেত্ৰচ্ছেদৰ ভাঁজ মঙ্গোলীয়ৰ এটি বিশেষ লক্ষণ। এই কিতসকলক সাধাৰণতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইত বসবাস কৰাৰ কাৰণে সংস্কৃত ভাষাত তেওঁলোকক কক্ষৱাট বোলে। কক্ষটিৰ পৰা কক্ষত> কচ্ছৰ লগত অৰি যোগ হৈ কচ্ছ + অৰি-কছাৰী নামৰ উৎপত্তি হয়। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা মঙ্গোলীয় গোষ্ঠীৰ এই কিৰাত বা কছাৰী লোকে নিজকে বড়ো বুলি অভিহিত কৰিব বিচাৰে। মঙ্গোলীয় গোষ্ঠীৰ এই বড়োসকলক ভাৰতীয় আন আন হিন্দুসকলে বিভিন্ন সময়ত কিৰাত, কছাৰী নামেৰে অভিহিত কৰি আহিছে যদিও কছাৰীহে তেওঁলোকৰ প্ৰচলিত নাম।

ৰেভাৰেণ্ড ছিদনী এণ্ডলে কছাৰীসকলৰ আকৃতি আৰু সাধাৰণ চেহেৰা মঙ্গোলীয় বুলি উল্লেখ কৰিছে আৰু তেওঁলোকৰ আদি বাসস্থান তিব্বত আৰু চীন আছিল বুলি কৈছে। তেওঁ মতে এই মঙ্গোলীয় গোষ্ঠীৰ কছাৰী লোকসকলৰ প্ৰধানকৈ দুটা প্ৰব্ৰজনকাৰী দলে দুটা দিশৰ পৰা সমৃদ্ধিশালী ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল–


(১) এটা উত্তৰ দিশৰ পৰা তিস্তা, ধৰ্ণা, সোণকোষ নদীৰ উপত্যকাইদি আহি উত্তৰ-পূব বঙ্গ আৰু পশ্চিম অসমৰ ব্ৰহ্মপুত্ৰৰ উপত্যকাত প্ৰৱেশ কৰি কামৰূপ নামৰ এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

(২) আনটো প্ৰব্ৰজনকাৰী দলে উত্তৰ-পূব দিশেদি সোৱণশিৰি, দিবং আৰু দিহিং উপত্যকাইদি অসমত বিস্তাৰিত হৈছিল।[১]

এণ্ডনে ব্ৰহ্মপুত্ৰ নদীক বিভাজনকাৰী ৰেখা হিচাপে লৈ কছাৰীসকলক দুটা ভাগত ভাগ কৰিছে– উত্তৰ গোষ্ঠী আৰু দক্ষিণ গোষ্ঠী। উত্তৰ গোষ্ঠীৰ ভিতৰত (১) বড়ো, (২) ৰাভা, (৩) মেচ, (৪) ধিমল, (৫) কোঁচ, (৬) লেনিমীয়া, (৭) মহলীয়া, শৰণীয়া আৰু দক্ষিণ গোষ্ঠীত (১) ডিমাছা, (২) হোজাই, (৩) লালুং, (৪) গাৰো, (৫) হাজং, (৬) পৰ্বতীয়া তিপ্ৰা (ত্ৰিপুৰা) সকলক অন্তৰ্ভুক্ত কৰিছে। ড° ভুবনমোহন দাসে প্ৰব্ৰজন অনুসৰি বড়ো গোষ্ঠীৰ এই বিভাজনক পুনৰ দুটা ভাগ কৰিছে- (১) পশ্চি গোষ্ঠী (২) পূব গোষ্ঠী)



Scanned by CamScanner




বড়ো মূলৰ পৰা সৃষ্টি হৈ সমগ্ৰ অসমত বসবাস কৰি থকা মঙ্গোলীয় কিৰাত বা কছাৰীসকলক বেলেগ বেলেগ অঞ্চলত বেলেগ বেলেগ নামেৰে জনা যায়। বঙ্গদেশ আৰু নেপালৰ হিমালৰ নামনি অঞ্চলত মেচ, উজনি অসমত সোণোৱাল, ঠেঙ্গাল কছাৰী। পশ্চিম অসমত বড়ো বা বড়ো-কছাৰী, দক্ষিণৰ উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত ক্ৰমে ডিমাছা আৰু বৰ্মন নামেৰে জনা গ'ল। প্লেফেয়াৰৰ মতে কছাৰীসকলৰ লগত মিল থকা গাৰোসকল তিব্বতৰ পৰা আহি গোৱাল পাৰাইদি ব্ৰহ্মপুত্ৰ পাৰ হৈ গাৰো পাহাৰলৈ আহে। ৰাভা, হাজং, মেচ আদিয়ে কামৰূপ আৰু গোৱালপাৰাত বসতি কৰেহি। বড়োসকলৰ কিছুমানে দক্ষিণ-পূবফালেদি আগুৱাই আহি মধ্য অসমত (নগাঁৱত) লালুং নামেৰে প্ৰখ্যাত হৈ পৰে আৰু অন্য এটা ঠালে দক্ষিণ-পশ্চিমফালে আহি ত্ৰিপুৰাত ত্ৰিপুৰী (তিপ্‌ৰা) নাম লয়। এই বড়োগোষ্ঠীৰে কিছুমান লোকে ৰাজ্য বিস্তাৰৰ কাৰণে পূবফালে আহি উজনি অসমত ঠেঙ্গাল, সোণোৱাল, ঝাৰুৱা নামেৰে জনাজাত হয়।

ড° সূৰ্যকুমাৰ ভূঞা সম্পাদিত দেওধাই অসম বুৰঞ্জী আৰু কছাৰী বুৰঞ্জীৰ মতে পূবলৈ অহা কছাৰীৰ ফৈদকেইটাই শদিয়াল কছাৰী আৰু হেড়ম্বিয়াল কছাৰী নাম লৈ উজনি অসমত দুখন ৰাজ্য পাতে। শদিয়াল কছাৰীৰ প্ৰথম ৰজা আছিল মাণিক। মাণিক ৰজাৰ সময় একাদশ-দ্বাদশ শতিকা বুলি ড° লীলা গগৈদেৱে অনুমান কৰিছে। মাণিক ৰজাৰ ৰাজ্যৰ সীমা পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙ্গৰ দক্ষিণ পাৰ। দক্ষিণে দিলিহৰ কেন্দুগুৰি পৰ্যন্ত আছিল। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ মতে শদিয়াৰ কৌণ্ডিল্যৰ বা কুণ্ডিল নগৰখনক কছাৰী ভাষাত 'হালালী' বোলা হৈছিল। মাণিক ৰজা অপুত্ৰক হোৱাত তেওঁ ৰাজ্য জোঁৱায়েক মুকুতাক গতাই দিয়াৰ পাছত শদিয়লীয়া কছাৰীসকলৰ ৰাজ্য বা ৰজাৰ কি হ'ল এই বিষয়ে বুৰঞ্জীৰ পৰা একো জনা নাযায়।

কছাৰী বুৰঞ্জী আৰু অন্যান্য বুৰঞ্জীত হেড়ম্বিয়াল ফৈদৰ কছাৰীসকলৰ কিছু স্পষ্ট বিৱৰণ পোৱা যায়। হেড়ম্বিয়াল কছাৰীসকলে হেড়ম্ব ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেই ৰাজ্যৰ প্ৰথম ৰজা আছিল চচেমফা, চচেমফাৰ পাছ বীৰহাস আৰু বীৰহাসৰ পাছত তেওঁৰ পুতেক বিচাৰ পতিফা হেড়ম্ব ৰাজ্যৰ ৰজা হৈছিল। বিচাৰ পতিফাৰ পাছত তেওঁৰ পুতেক বিক্ৰমাদিত্যফাই নামচাং, বৰহাট সীমা কৰি ৰাজ্য বিস্তাৰ কৰিছিল আৰু সোণাপুৰ (সোণাৰি) আৰু বাণপুৰ নগৰ প্ৰতিষ্ঠা কৰিছিল। পিছত এই ৰাজ্যত ভায়েক মহামানিফাক ৰাজ্য শাসন কৰে। মহানিফা লক্ষীন্দ্ৰপুৰ (ডিমাপুৰ) লৈ গৈ ৰাজ্য শাসন কৰে। মহামানিফা সোণাপুৰত ৰজা হৈছিল যদিও বিক্ৰমাদিত্যফাৰ মৃত্যুৰ পাছত মানিক্যক সোণাপুৰত থৈ মহামানিফা পাটহড়ম্ব অৰ্থাৎ ডিমাপুৰত ৰজা হ'লগৈ। তেতিয়ালৈকে ডিমাপুৰ কছাৰীৰ ঘাই ৰাজধানী আৰু সোণাপুৰ পালি ৰাজধানী আছিল।



Scanned by CamScanner

খৃষ্টীয় ত্ৰয়োদশ শতাব্দীৰ এই ফৈদ কছাৰীৰ ৰাজ্য ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলং নৈলৈকে বিস্তৃত আছিল। ইয়াৰ ভিতৰত ধনশিৰি উপত্যকা খণ্ডত সিবিলাকৰ দখলত আছিল। ১২২৮ খৃঃত আহোম ৰজা চুকাফাই অসমত প্ৰৱেশ কৰি বিনা যুদ্ধই পূবফালৰ কছাৰী ৰাজ্য ক্ৰমাৎ দখ কৰি শদিয়া অঞ্চলীয়া কছাৰী বিলাকক দিখৌ পাৰ কৰি পশ্চিমলৈ খেদি পঠোৱাত, সিবিলাক আহি ধনশিৰি ভৈদীয়া হেড়ম্বিয়াল কছাৰীৰ লগত লগ লাগে। লগে লগে 'হালালী' ৰাজ্যকো পতন ঘটিল যেন অনুমান কৰিব পাৰি। তেতিয়া পৰা দুয়োটা ফৈদে লগ-লাগি এটা ফৈদ হৈ ধনশিৰি উপত্যকাত কছাৰী ৰাজ্য বিস্তাৰ কৰিবলৈ ধৰে।

উজনি অসমৰ কছাৰীসকলৰ ভিতৰত এই ধনশিৰি উপত্যকাৰ কছাৰী ফৈদটোৱেই আছিল আটাইতকৈ বিচক্ষণ, শক্তিশালী আৰু সাহসী। এই ফৈদৰ কছাৰীসকলে বিনাযুদ্ধই আহোমক ৰাজ্য এৰি দিয়া নাছিল। সেয়েহে ১৪৯০ খৃঃত আহোম আৰু কছাৰীৰ মাজত ৰাজ্যলৈ দিখৌৰ পাৰত এখন যুদ্ধ হৈছিল। এই যুদ্ধত আহোম সৈন্য পৰাজিত হয় আৰু আহোম ৰজা চুহানফাই কছাৰী ৰজালৈ লাংজি নামৰ এগৰাকী কুঁৱৰী, দুটা হাতী আৰু দি সন্ধি কৰে।

আহোমৰ চুহুংমুং দিহিঙ্গীয়া ৰজা বা স্বৰ্গনাৰায়ণ ৰজাৰ দিনত কছাৰী ৰাজ্যৰ বিপৰ্যয় আৰম্ভ হয়। ১৫২৬ খৃঃত এইজন ৰজা আৰু কছাৰীৰ খুন্‌খৰা ৰজাৰ মাজত ধনশিৰি ৰ পাৰত যি যুদ্ধ হৈছিল, সেই যুদ্ধত কছাৰীৰ জয় হৈছিল যদিও ১৫৩১ খৃঃ আৰু ১৫৩৬ খৃঃৰ যুদ্ধত আহোম সেনাই কছাৰী সেনাক পিছুৱাই নি একেবাৰে সিবিলাকৰ ডিমাপুৰ নগৰ আক্ৰণ কৰিলেগৈ। কছাৰী ৰজা খুন্‌খৰা নিৰুপায় হৈ পলাল, কিন্তু তেওঁৰ ভায়েক ভেটচাক ধৰি বধ কৰিলে। খুন্‌খৰা ৰজা পলাই যোৱাত তেওঁ কুটুম্ব ডেট্চুঙ্গক আহোম সেনাপতিয়ে ডিমাপুৰত ৰজা পাতি আহে। তেওঁ আমোহৰ বশ্যতা স্বকীৰ কৰি আহোম ৰজালৈ বছৰি সন্মানীকৰ দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। কিন্তু সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰাৰ অজুহাতত চুহুংমুঙে ১৫৩৬ খৃঃত ডিমাপুৰ ৰাজ্য পুনৰ আক্ৰমণ কৰে। ডেটচুঙ্গক যুদ্ধত হৰুৱাই বধ কৰা হ'ল, ফলত ডিমাপুৰ ৰাজ্য সম্পূৰ্ণৰূপে আহোম ৰজাৰ অধীনলৈ গ'ল। কছাৰীবিলাকে ডিমাপুৰ এৰি মইবঙ্গত, তাৰ পাছত খাচপুৰত ৰাজধানী পাতেগৈ।

১৫২৬ খৃঃৰ আহোম কছাৰীৰ যুদ্ধত খুন্‌খৰা কছাৰী ৰজাই আহোম স্বৰ্গদেউ চুহুংমুং দিহিঙ্গীয়া ৰজাক জয় কৰাৰ পাছত জং বাহাদুৰ আৰু চক্ৰধ্বজ নামৰ দুজন সাহসী, যাদু-মন্ত্ৰ আৰু ধনুবিদ্যাত পাৰ্গত কছাৰী যুৱকে বেলেগে ৰাজ্য প্ৰতিষ্ঠাৰ উদ্দেশ্যৰে কিছুমান কছাৰী পৰিয়াল লগত লৈ আহি দৈয়াং নৈৰ পাৰৰ কছাৰী পথাৰ অৰ্থাৎ কাছমাৰী পথাৰত ৰাজধানী পাতি এখন কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু জংবাহাদুৰ সেই ৰাজ্যৰ ৰজা হয়। তেওঁ পাছত চক্ৰধ্বজ কাছমাৰীৰ ৰজা হৈছিল। তেওঁলোকৰ সৈন্য-সামন্ত বিলাকে 'ঠেঙ্গা' (Pantaloon) পিন্ধি যুদ্ধ কৰিছিল, আনকি যুদ্ধৰ বাদেও শান্তিৰ পৰিৱেশতো এই সৈন্যসকলে যুদ্ধত পিন্ধা 'ঠেঙ্গা' পিন্ধি ফুৰিছিল বাবে আন গোষ্ঠীৰ লোকসকলে জংবাহাদুৰ ৰজাক আৰু তেওঁ ৰাজ্য প্ৰজাসকলক 'ঠেঙ্গাল কছাৰী' বুলিছিল। ঠেঙ্গাল কছাৰীসকলে ধনশিৰিত ৰূপ কমাইছিল বাবে তেওঁলোকক ৰূপোৱালও বোলা হৈছিল।

প্ৰকৃততে ক'বলৈ হ'লে ধনশিৰি আৰু দৈয়াং উপত্যকাত বসবাস কৰা আৰু কাছমাৰী অঞ্চলত ৰাজধানী স্থাপন কৰি ৰাজ্য শাসন কৰা সময়ৰ পৰা হেড়ম্বিয়াল কছাৰীসকলৰ এই ফৈদটো 'ঠেঙ্গাল কছাৰী' নামেৰে জনাজাত হয়।



Scanned by CamScanner

ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌৰ পৰা কলঙলৈকে ধনশিৰি উপত্যকালৈ উত্তৰ কাছাৰ জিলা পৰ্যন্ত যিসকল কছাৰী পোৱা যায় সেইসকলক তিনিটা ভাগত ভাগ কৰিব পাৰি– (১) ডিমাছা কছাৰী, (২) বৰ্মন কছাৰী আৰু (৩) ঠেঙ্গাল কছাৰী। ডিমাছা কছাৰীসকলে নিজকে হিড়িম্বাৰ বংশধৰ বুলি কয়, বৰ্মনসকলে নিজকে ভীমৰ পুত্ৰ ঘটোৎকচে প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তৰ জীয়েকক বিয়া কৰাইছিল আৰু তেওঁলোকৰ বাৰবাৰিক নামৰ এজন পুত্ৰ আছিল। তেওঁ ডাঙৰ বীৰ আছিল। ডিমাছা, বৰ্মন আৰু ঠেঙ্গাল কছাৰীসকলে নিজকে একেটা পৰিয়ালৰ ক্ৰমে হিড়িম্বা। ভীম আৰু ঘটোৎকচৰ বংশধৰ বুলি কৰা বিশ্বাসে তেওঁলোক যে একেটা মূলৰপৰা জন্ম তাকেই প্ৰমাণ কৰে। ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কৰঙলৈকে আনকি দিখৌৰ পুব আৰু কাছাৰৰ কিছু অংশলৈকে আনকি দিখৌৰ পুব আৰু কাছাৰৰ কিছু অংশলৈকে ৰাজ্য বিস্তাৰ কৰি থকা ধনশিৰি উপত্যকাৰ শক্তিশালী কছাৰী গোষ্ঠীটোৰ এটা ফৈদ ডিমাছা, এটা ফৈদ বৰ্মন আৰু ডিমাপুৰৰ পৰা ঘূৰি আহি কাছমাৰীৰ কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰা ফৈদটো ঠেঙ্গাল কছাৰী নামেৰে জনাজাত হ'ল। ঠেঙ্গাল কছাৰীৰ ৰাজ্য যে যথেষ্ট উন্নত, পৰিকল্পিত আছিল কাছমাৰীৰ পুৰণি কীৰ্তিস্তম্ভই তাৰে ইঙ্গিত দিয়ে।[২]

ঐতিহাসিক তথ্যপাতিৰ আধাৰত আৰু তেওঁলোকৰ আদিম প্ৰব্ৰজন আৰু বসতি বিস্তাৰৰ ক্ষেত্ৰত দেখা যায় যোৰহাট জিলাৰ দক্ষিণৰ নগা পাহাৰৰ এটা বৃহৎ অঞ্চল ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকেৰে ভৰি আছে আৰু যোৰহাটৰ দক্ষিণত ঠেঙ্গাল মৌজা নামৰ এটা ঘন বসতিপূৰ্ণ এলেকা আছে। উজনি অসমৰ শদিয়াৰ পৰা দৈয়াং ধনশিৰি উপত্যকা সামৰি নগাঁও পৰ্যন্ত কম-বেছি পৰিমাণে ঠেঙ্গালসকল বিস্তৃত হৈ আছে। মূখ্যতঃ ঠেঙ্গাল লোকসকল যোৰহাটৰ তিতাবৰ মহকুমাৰ, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ, কাৰ্বিআলং জিলাৰ উপৰিও তেজপুৰ, শোণিতপুৰ, ধেমাজি আদি ঠাইত ঠেঙ্গালৰ দুই এখন গাঁও বা পৰিয়াল সিঁচৰিত হৈ আছে।

এনেদৰে উজনি অসমত সিঁচৰিত হৈ থকা বৰ্তমান ঠেঙ্গাল কছাৰীসকলৰ মাজত মুঠ একৈশটা বংশ আছে। ঠেঙ্গাল ৰজা জংবাহাদুৰে কৰ্ম বিভাজনৰ ভিত্তিত ঠেঙ্গাল শব্দ (ঠেংগা+আল=ঠেঙ্গাল)ৰ প্ৰত্যেক কৰ্ম শ্ৰেণীত আন বা য়াল প্ৰত্যয় যোগ কৰি বংশ পৰম্পৰা সৃষ্টি কৰিছিল। এই ঠালসমূহ হ'ল–

| | | |
|---|---|---|
| হাজোৱাল | — | খেতিয়ক। |
| মানিকিয়াল | — | মানিক বুটলা লোক। |
| মুক্তাল | — | মুকুতা সংগ্ৰহ কৰোঁতা। |
| ডুৰুঙ্গিয়াল | — | নাও সাজোঁতা আৰু বাওঁতা। |
| দলঙ্গিয়াল | — | দলং সাজোঁতা। |
| সাকোঁৰিয়াল | — | সাকোঁ দিওঁতা। |
| হয়গিয়াল | — | ঘোঁৰা পোহা আৰু চলাওঁতা। |
| শুকৰিয়াল | — | গাহৰি পোহা লোক। |
| ব্যাঘ্ৰাল | — | বাঘ পোহা লোক। |
| কুমাৰাল বা কুমাৰিয়াল | — | মাটিৰ পাত্ৰ গঢ়োতা। |
| ডেক্ৰাল বা ঢেঁকীয়াল | — | ঢেঁকী বনাওঁতা আৰু ধান বানোতা। |
| নাঙ্গোল | — | নাঙল যোগান ধৰোতা। |



Scanned by CamScanner

| | | |
|---|---|---|
| লাঠীয়াল | — | বাঁহ-কাঠৰ কাম কৰোঁতা। |
| মেখেলিয়াল | — | মেখেলাক ধৰি অন্যান্য বস্ত্ৰ তৈয়াৰ কৰোঁতা। |
| নেগুৰিয়াল | — | ৰচি আদি তৈয়াৰ কৰা লোক। |
| ডিঙ্গিয়াল | — | ডিঙ্গি মুচৰি জীৱ-জন্তু বধ কৰি পূজা-পাতল কৰোঁতা আৰু বজাওঁতা। |
| সুগৰীয়াল | — | সুগৰী পোহা লোক। |
| ফৰমাল | — | আহু খেতি কৰা লোক। |
| এজমাল | — | ৰজাৰ ঘৰত কাম কৰা, ৰাজ ভড়াললৈ সামগ্ৰী গ্ৰহণ কৰা লোক। |
| চুলিয়াল | — | মাদল আৰু চোল তৈয়াৰ কৰোঁতা। |

ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে যে ৰজাৰ শাসনকালত তেওঁলোক অতিশয় দক্ষ আৰু সাহসী আছিল। সেইবাবে ঠেঙ্গাল কছাৰীৰ লোকে সৈনিকৰূপে যুদ্ধত প্ৰায়ে শত্ৰুৰ বিৰুদ্ধে থিয় কিব লগা হৈছিল। কিন্তু ঠেঙ্গালসকলৰ ৰাজ্য স্থাপন বা ৰাজত্বৰ কোনো পোনপটীয়া ঐতিহাসিক তথ্য নাই। তথাপিও ঠেঙ্গাল কছাৰীসকলে কাছমাৰী কীৰ্তিচিহ্নৰ মাজতে নিজৰ ঐতিহ্য নিহিত থকাৰ কথা কয়। যিহেতু ঠেঙ্গালসকলে ধনশিৰি আৰু দৈয়াং উপত্যকাত বসবাস কৰা আৰু কাছমাৰী অঞ্চলত ৰাজধানী স্থাপন কৰি ৰাজ্য শাসন কৰা সময়ৰ পৰা হেড়ম্বিয়াল কছাৰীসকলৰ এই ফৈদটো ঠেঙ্গাল কছাৰী নামেৰে জনাজাত হয়।

ব্ৰহ্মপুত্ৰ দক্ষিণপাৰে শক্তিশালী ৰাজ্য স্থাপন কৰা কছাৰীৰ এটা বিশিষ্ট ফৈদ হৈছে ডিমাছাসকল। ঠেঙ্গাল কছাৰীসকলে ডিমাছাসকলৰ সৈতে ওচৰ সম্পৰ্কৰ কথা স্বীকাৰ কৰে। সেয়ে ব্ৰহ্মপুত্ৰৰ দক্ষিণে দিখৌৰ পৰা কলং, ধনশিৰি উপত্যকা আৰু উত্তৰ কাছাৰলৈকে পোৱা কছাৰীসকলক ডিমাছা, বৰ্মন আৰু ঠেঙ্গাল তিনিওটা ফৈদৰে মূল একেটা বুলিয়ে ক'ব পৰা যায়। দক্ষিণপাৰৰ কছাৰীসকলৰ ৰাজধানী ডিমাপুৰত এতিয়াও প্ৰাপ্ত ভগ্নাৱশেষে কছাৰীৰ সভ্যতা যে আহোমতকৈও শ্ৰেষ্ঠ আছিল তাকে প্ৰমাণ কৰে বুলি ছাৰ এড্‌ৱাৰ্ড গেইটে 'এ হিষ্টৰি অৱ আচাম'- গ্ৰন্থত উল্লেখ কৰি গৈছে। ত্ৰয়োদশ চতুৰ্দ্দশ শতিকাতে কছাৰীসকলে ইটাৰে প্ৰাচীৰ সাজিছিল। কিন্তু আহোমসকলে তেতিয়া কাঠ বাঁহৰ ঘৰ আৰু বোকামাটিৰে লেপা প্ৰাচীৰহে নিৰ্মাণ কৰিছিল। ডিমাপুৰত পোৱা ভগ্নাৱশেষসমূহৰ কাৰুকাৰ্যৰ সৈতে ঠেঙ্গালসকলে স্থাপন কৰা কাচমাৰীৰ কাৰুকাৰ্যৰ যথেষ্ট মিল আছে। কাছমাৰীৰ পুৰণি কীৰ্তিস্তম্ভসমূহে ঠেঙ্গাল কছাৰীসকলৰ যথেষ্ট উন্নত আৰু পৰিকল্পিত চিন্তাৰাজিৰ ইঙ্গিত বহন কৰি আছে। গতিকে ডিমাছাসকলৰ সৈতে ঠেঙ্গালসকলৰ একেটা মূলৰ কথাষাৰ নুই কৰিব নোৱাৰি।

জংবাহাদুৰ পাছত চক্ৰধ্বজ কাছমাৰীত ঠেঙ্গাল ৰাজ্যৰ ৰজা হয়। কথিত আছে যে তেওঁৰ দিনত দেশত এটা ডাঙৰ ভূমিকম্প হৈছিল, ঘৰ-দুৱাৰ ভাগি পৰিছিল আৰু দেশত দুৰ্ভিক্ষই দেখা দিছিল। সেই সময়ত বাসুদেৱ গোসাঁই নামৰ এজন লোকে তেওঁলোকৰ ৰাজ্যৰ বাহিৰত, পূবফালে সত্ৰপাতি ধৰ্ম প্ৰচাৰ কৰিছিল। গোসাঁইয়ে এই ঠেঙ্গাল কছাৰীখিনিক বৈষ্ণৱ ধৰ্মত দীক্ষা দিয়াৰ কথা চিন্তা কৰি চক্ৰধ্বজ ৰজাক জনাইছিল আৰু তেওঁৰে দুই-এঘৰ মানুহ আনি শৰণ দি থাকিবলৈ মাটি-বাৰী দিছিল। শৰণ লোৱাসকলক মাটি-বাৰী দি থাকিবলৈ দিয়া বুলি তেওঁলোকৰ পৰা জানিব পাৰি



Scanned by CamScanner

মাটি-বাৰীৰ আশাত ৰজাৰ অনুমতি লৈ বহু ঠেঙ্গাল কছাৰী পৰিয়ালে ঘৰৰ সকলো লাগতিয়াল বস্তু-বাহনিলৈ পূবৰ ডাঙৰ নৈখন পাৰ হ'বলৈ ধৰোঁতে বুঢ়ী এগৰাকীয়ে এৰী সূতাৰ চাপৰখিনি ঘৰত থাকি অহা লৈ নদীত কন্দা-কটা কৰি থাকোঁতেই নগাই নৈখনৰ বান্ধ কাটি দিয়াত নৈৰ কোবাল সোঁতে তেওঁলোকক যেনি-তেনি উটুৱাই নিলে। তেওঁলোকৰ কিছুমানে য'তে-ত'তে ধৰি জীৱন ৰক্ষা কৰিলে আৰু বহুতো মানুহ টানি-টোপোলাৰে সৈতে উটি গ'ল। জীৱন ৰক্ষা কৰা সকলৰ কিছুমানে সত্ৰলৈ গৈ সকলো ঘটনা গোসাঁইক জনোৱাত গোসাঁইয়ে তেওঁলোকৰ আগৰ বৃত্তি অনুসৰি মানুহখিনিক ভাগ হ'বলৈ ক'লে আৰু সেইমতে ২১ ভাগ হোৱাত প্ৰতি ভাগকে একো একোটা বনালে আৰু বেলেগ বেলেগ শৰণ দিয়াৰ ব্যৱস্থা কৰি বেলেগ বেলেগ ঠাইত মাটি-বাৰী দি প্ৰতিভাগকে এটা পৰিয়াল হিচাপে থাকিবলৈ নিৰ্দেশ দিলে তেতিয়া পৰা নদীখনৰ কছাৰী নাম হ'ল- 'দৈয়াঙ গবনায়'- পানীত ডুবা নৈ, তাৰ পাছত দৈয়াংনৈ। ঠেঙ্গাল কছাৰীসকলে থাকিবলৈ লোৱা এই ঠাইখনৰ নাম হ'ল দৈয়াং, তাৰ পাচত দৈয়াং বচা। আনহাতে ইয়াত কামৰ নিৰ্দিষ্ট ভাগ নোহোৱাত কাছমাৰীত কৰ্ম বা দায়িত্ব অনুসৰি সৃষ্টি হোৱা ২১ টা ভাগ নদী পাৰ হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত চৰ টা গোত্ৰ বা বংশত পৰিণত হ'ল আৰু পৰিয়ালৰ মুৰব্বীজনৰ নাম বা তেওঁৰ বিশেষ কৰ্ম অনুসৰি 'ঘৰ'ৰ নাম সৃষ্টি হ'ল। সেই বংশ পৰম্পৰাই বৰ্তমান সময়লৈকে ঠেঙ্গালৰ মাজত ৰক্ষা হৈ আছে।

বাসুদেৱ গোসাঁয়ে ঠেঙ্গাল কছাৰীসকলক বৈষ্ণৱ ধৰ্মত শৰণ দিয় দৈয়াং বচা অঞ্চলত বসতি দিয়ে। বাসুদেৱ গোসাঁইক শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰৰ আজ্ঞা অনুসৰি উজনিত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে অহা বাসুদেৱ শৰ্মা (পাছলৈ মহন্ত) বুলি অনুমান কৰা হয়। আহোম স্বৰ্গদেউ চুখাম্‌ফা ওৰফে খোৰা ৰজা (১৯৫২-১৬০৩ খৃঃ)ৰ দিনত ১৫৯৬ খৃঃত দেশত ভয়ংকৰ ভূমিকম্প হোৱাৰ কথা জনা যায়। সেই হিচাপত ১৫৯৭-৯৮ খৃঃত বাসুদেৱ গোসাঁয়ে ঠেঙ্গাল কছাৰীসকলক শৰণ দি দৈয়াঙত সংস্থাপন দিয়ে। দৈয়াঙৰ পৰাই উজনি অসমৰ বিভিন্ন ঠাইলৈ ঠেঙ্গালসকল বিয়পি পৰে।[৩]

ঠেঙ্গাল কছাৰীৰ সমাজখন পুৰুষ প্ৰধান সমাজ। ঘৰখনৰ মুৰব্বী পুৰুষজনৰ ওপৰতেই ঘৰ পৰিচালনাৰ দায়িত্ব আৰু তেওঁৰ দ্বাৰাই সকলো পৰিচালিত হয়। বাসুদেৱ গোসাঁইৰ দিনৰ পৰা তেওঁলোক বৈষ্ণৱ ধৰ্মৰ ভক্ত আৰু প্ৰাণহৰি গোসাঁইৰ দিনৰ পৰা আউনীআটী সত্ৰৰ শিষ্য। সেইমতে তেওঁলোক ব্ৰহ্ম সংহতিৰ লোক, তেওঁলোকে বৈদিক আচাৰ-ৰীতি পালন কৰে। সত্ৰৰ পদ্ধতি অনুসৰি ঠেঙ্গাল কছাৰীৰ সমাজত এটা বৃহৎ এলেকাৰ ভিতৰত বৰমেধি, কুৰিয়া মেধি, চুকমেধি, বৰ টেকেলা, টেকেলা আদি বিষয়া আৰু একোখন গাঁৱত বা একোটা খেলত একোটা নামঘৰ, মেধি, নামঘৰীয়া, ভঁড়ালী পাঠক, বৰবান্ধনি, বায়ন, দেউৰী, ঢুলীয়া-ওজা আদি বিষয়বাবৰ লোক আছে আৰু সত্ৰৰ সত্ৰাধিকাৰে ৰাজমেধি, পাচনি আৰু বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰীৰ সমাজৰ লগত যোগসূত্ৰ ৰাখি সমাজখনৰ ধৰ্ম-ৰীতি পৰিচালনা কৰি থকা দেখা যায়। ইয়াৰ বাদেও বহুতো ঠেঙ্গাল কছাৰীয়ে আউনীআটী সত্ৰৰ শিষ্যত্ব ত্যাগ কৰি পিছত সৃষ্টি হোৱা বৈষ্ণৱ ধৰ্মৰ আন আন প্ৰশাখাত ভৰ্তি হৈ জীৱন নিৰ্বাহ কৰা দেখা যায়।[৪]

ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ নিজা সামাজিক উৎসৱ, পূজা-পাতলসমূহ যথা নিয়মে পালন কৰাৰ দৰে অসমৰ জাতীয় উৎসৱ বিহুকো পৰম্পৰাগতভাৱে পালন কৰে। ঠেঙ্গাল কছাৰী গাভৰুসকলে চ'ত মাহ সোমোৱাৰ দিনৰ পৰাই ৰাতি বিহু মাৰিছিল। আহত গছ বা বৰগছৰ তলত বিহুৰ খোলা পতা হয়। ৰাতি বিহু চ'তৰ সংক্ৰান্তিলৈকে অৰ্থাৎ ব'হাগ বিহুৰ উৰুকাৰ দিনালৈকে মাৰিছিল। ঠেঙ্গাল কছাৰীসকলৰ



Scanned by CamScanner

মাজত তৰাছিৰা বিহু বা 'বালি-হুঁচৰি', 'বোকা বিহু' আৰু 'নৰাছিঙা বিহু' প্ৰচলিত অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত প্ৰথা অনুসৰি কাতি বিহু আৰু মাঘৰ বিহু যথা ৰীতি মতে পালন কৰি আহিছে।

ব'হাগৰ বিহুত গাঁৱৰ বাদেও গাভৰু আৰু বুঢ়ীসকলে বেলেগে বেলেগে দলবান্ধি ঘৰে ঘৰে বিহু মৰাটো ঠেঙ্গাল কছাৰী সমাজত অতীতৰ পৰাই দেখা যায়। পুৰুষে হুঁচৰি গাওঁতে ঢোলত বজোৱা কছাৰী ছেও বা বুঢ়া ছেও নাচটো অসমীয়া সংস্কৃতিলৈ ঠেঙ্গাল কছাৰীসকলৰ অৱদান। উজনি অসমৰ ঢোলবাদ্যৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীৰ অৱদান কোনোপধ্যেই নুই কৰিব নোৱাৰি।

নামঘৰত তেওঁলোকে বৰসবাহ, পানীতোলা সবাহ, হুঁচৰি গোৱা সবাহ, জন্মাষ্টমী তিথি, গুৰু দুজনাৰ তিথি আদি ৰাজহুৱাভাৱে পালন কৰে। মৃতকৰ সৎকাৰ কৰাৰ ক্ষেত্ৰত ঠেঙ্গাল কছাৰীৰ সামাজিক বান্ধোন বৰ কঠোৰ, প্ৰত্যেক পুৰুষেই গুৰুৰ ওচৰত শৰণ লোৱাটো বাধ্যতামূলক। ঠেঙ্গাল কছাৰীসকলে ব্ৰাহ্মণ পুৰোহিতৰ সহায়ত মৃতকৰ আত্মাৰ মুক্তি আৰু গৃহস্থৰ কুশলৰ অৰ্থে পূজা-অৰ্চনা কৰি দান-দক্ষিণাৰে মৃতকৰ কাজ-কৰ্ম সমাধা কৰা হয়। মৃতকৰ কাজত মৃদঙ্গীয়া গায়ন-বায়ন লগোৱাটো। ঠেঙ্গাল কছাৰী সমাজৰ নিয়ম। আজিকালি অৱশ্যে কোনো গাঁৱত মৃদঙ্গীয়া গায়ন-বায়নৰ অভাৱত খুলীয়া গায়ন-বায়ন লগোৱা দেখা যায়।

ঠেঙ্গাল কছাৰীসকলে মূলতঃ সদাশিৱৰ ভক্ত আছিল। তেওঁলোকে সদাশিৱৰ লগতে দুৰ্গাকো মানিছিল। সমজুৱাভাৱে ঠেঙ্গাল কছাৰীসকলে নিৰ্দিষ্ট ঠাইত থানত দুৰ্গা, নদীত চুৰা উটুওৱা চাপৰিত গৰখীয়া ভোজ, নৈ ওচৰত চাউল খোৱা আদি সামাজিক পূজা-পাতল কৰে। এইসমূহৰ উপৰিও মৃতকক দিয়া, গোহালিত সদাশিৱৰ পূজা পতা, বেমাৰ-আজাৰ হ'লে শনি ৰবি, ৰাহু মঙ্গলৰ চাউল খুওৱা, গুৰু পৰমাণ খুওৱা, আই চাউল খুওৱা, ভিতৰবন, অপচৰা সবাহ, গোপীনী সবাহ, লখিমী সবাহ, বাক দেৱতাৰ সকাম, গা-ডাঙৰীয়া পূজা, হাটুৱালী-বাটুৱালী পূজা, সৰস্বতী সবাহ, ভঁড়ালত লখিমী সুমুওৱা সবাহ, ভঁড়াল চোৱা সবাহ, আয়ুসতোলা সবাহ আদি অনে পূজা পাতল, সকাম-নিকাম ঠেঙ্গাল কছাৰীসকলে পালন কৰে। দেৱ-দেৱীৰ লগতে ঠেঙ্গাল কছাৰীসকলে অনেক ভূত-প্ৰেতকো বিশ্বাস কৰে। ঠেঙ্গাল কছাৰীসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ পাছত এই দেৱ-দেৱীৰ পূজা কিছু পৰিমাণে কমিব ধৰিছে যদিও ঘৰখনত বেমাৰ-আজাৰ হ'লেই তাৰ পুনৰাবৃত্তি ঘটে।

বিবাহ মানৱ সমাজৰ এক প্ৰাণময় উৎসৱ। ঠেঙ্গাল কছাৰীসকলৰ মাজত বিশেষকৈ চাৰিপ্ৰকাৰৰ বিয়াৰ প্ৰচলন আছে। যেনে—

(১) পলাই যোৱা।

(২) আবিয়ৈ বিয়া।

(৩) বৰবিয়া।

(৪) তোলনি বিয়া।

ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত বৰবিয়া আৰু অবিয়ৈ বিয়াৰ বৈশিষ্ট্য সুকীয়া। ব্ৰাহ্ম অনুসাৰে বৈদিক প্ৰথাৰে হোমাগ্নি কৰি পতা বিয়াক বৰবিয়া আখ্যা দিয়ে। সাধাৰণতে ৰাইজৰ আশীৰ্বাদ গ্ৰহণ কৰি তেল-শলিতা জ্বলাই পতা বিয়া আবিয়ৈ বিয়া বুলি কোৱা হয়। দৰা-কইনাৰ ঘৰত প্ৰথম তামোল-পাণ পেলোৱাক বাট ভোজ দিয়া বোলে।

ঠেঙ্গাল কছাৰী জন-জাতিৰ অধিকাংশ লোকে গাঁৱত বসবাস কৰি কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল



Scanned by CamScanner

হৈ জীৱন নিৰ্বাহ কৰে। কৰ্মৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰে। ধান খেতি ঠেঙ্গাল কছাৰীসকলৰ প্ৰধান খেতি। তেওঁলোকে গৰু, ম'হ, হাঁহ-পাৰ, কুকুৰা, ছাগলী আদি পুহি সেইবোৰ বিক্ৰী কৰিও জীৱন-নিৰ্বাহ কৰে। বাৰীত তামোল-পাণ, জাতিগত বৈশিষ্ট্য বাঁহ খেতি, আলু-কচু, অন্যান্য শস্যৰ ৭ খেতি কৰি আৰ্থিক সমস্যাৰ সমাধান কৰে। ঠেঙ্গাল পৰিয়ালত এৰী, মুগা, নুনী কম-বেছি পৰিমাণে আটাইবিলাক পৰিয়ালে পোহে। এইসমূহৰ পৰা সূতা কাটি কাপোৰ বৈ তাৰে দুই-এখন বিক্ৰী কৰি নিজৰ জীৱিকা উলিয়াই।

ঠেঙ্গাল কছাৰীসকলে বৃহত্তৰ অসমীয়া জাতি গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁলোকৰ বহুসংখ্যকে অসমীয়া সমাজত বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই আছে। ঠেঙ্গাল কছাৰীসকল পৰিশ্ৰমী, কষ্ট সহিষ্ণু, শান্তিপ্ৰিয় আৰু সহজেই আনৰ লগত মিলি যাব পৰা গুণৰ বাবেই তেওঁলোকে যিকোনো লোকৰ সমাজতে খাপ খাব পাৰিছে, যিকোনো জনজাতি বা উচ্চবৰ্ণৰ। পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিব পাৰিছে। যিকোনো সমাজত মিলিযোৱা আৰু যিকোনো বৰ্ণৰ পৰিয়ালৰ লগত বৈবাহিত সম্বন্ধ স্থাপন কৰাৰ ফলত তেওঁলোকৰ লোক-সংস্কৃতিয়ে সেই পৰিয়াল আৰু সমাজত প্ৰচাৰ আৰু প্ৰসাৰতা লাভ কৰাৰ লগতে সমগ্ৰ অসমীয়া সংস্কৃতিলৈ বৰঙণি আগবঢ়াব পাৰিছে।



Scanned by CamScanner

# দ্বিতীয় অধ্যায়

## ২.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোক পৰিৱেশ্য কলা ঃ

লোক সংস্কৃতিৰ এক অন্যতম উপাদান হ'ল লোক পৰিৱেশ্য কলা। ইংৰাজীত কোৱা হয় Falk perfoeming Art Forms. পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপ (form) ৰ মাজেদি স্বৰূপাৰ্থত বাচিক বা লিখিত কলাক চাক্ষুৰ ৰূপ দিয়ে। লোক পৰিৱেশ্য কলাত এখন সমাজৰ আচাৰ-ব্যৱহাৰ, সামাজিক ধৰ্ম-কৰ্মৰ প্ৰকাশ ঘটে গীত, নৃত্য-বাদ্য আৰু নাটৰ যোগেদি। ঋতু ভিত্তিক কৃষি কাৰ্যৰ লগত প্ৰকৃতিত উৰ্বৰতাজনিত লোকাচাৰসমূহেই লোক পৰিৱেশ্য কলাসমূহৰ প্ৰতীকি ৰূপ। লোক পৰিৱেশ্য কলাত এখন সমাজৰ আচাৰ-ব্যৱহাৰ, সামাজিক ধৰ্ম-কৰ্মৰ প্ৰকাশ ঘটে গীত, নৃত্য-বাদ্য আৰু সংগত অভিনয় কৰি অভিনয়ৰ দ্বাৰা পৰিৱেশিত সিয়েই, লোক পৰিৱেশ্য কলা।

নবীন চন্দ্ৰ শৰ্মাই পৰিৱেশ্য কলাক সাধাৰণভাৱে তিনিটা শ্ৰেণীত ভাগ কৰিছে– (ক) গীত, (খ) নৃত্ত/ নৃত্য আৰু (গ) নাটক। গীতৰ বিষয় বস্তুৰ চাক্ষুৰ ৰূপায়নেই নৃত্ত আৰু নৃত্যৰ পৰিশীলিত ৰূপৰ নামেই নৃত্য আৰু নৃত্যৰ পৰাই নাট বা নাটকৰ জন্ম। গতিকে গীত-নৃত্ত-নৃত্য আৰু নাট বা নাটকৰ মাজত আছে এক গভীৰ সম্পৰ্ক।[৫]

লোক পৰিৱেশ্য কলাৰ নিৰ্দিষ্ট ৰূপ নিৰ্ণয় কৰিব নোৱাৰি ই লোক সমাজত অলিখিত পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে। সেয়ে লোক পৰিৱেশ্য কলাৰ স্থিতি হৈছে লোক সমাজ। অসমৰ লোক সংস্কৃতিত পৰিৱেশ্য কলাৰ ভূমিকা অপৰিসীম জন-জাতীয় আৰু অজন-জাতীয় প্ৰতিটো জনগোষ্ঠীৰ মাজত থকা নৃত্য-গীতবোৰ মাজত পৰিৱেশ্য কলাৰ সমল নিহিত আছে।

ধৰ্মীয় অথবা ধৰ্ম নিৰপেক্ষভাৱে সামাজিক স্বকীয় ভাৱ অনুভূতি, অকৃত্ৰিম আনন্দ পৰিৱেশ্য কলাত প্ৰকাশ হয়। ঠেঙ্গাল কছাৰীসকলৰো পৰম্পৰাগত জীৱনৰ এনে ভাৱ-অনুভূতি তথা আনন্দ প্ৰকাশক কিছু অনুষ্ঠান প্ৰচলন আছে। যিবোৰৰ মাজত পৰিৱেশ্য কলাৰ বৈশিষ্ট্য ৰক্ষা হোৱা দেখা যায়। ঠেঙ্গাল কছাৰীসকলৰ গীত নৃত্য অভিনয়ৰ জড়িত অনুষ্ঠানৰ ভিতৰত ঢোলৰ কছাৰী ছেও, হুড়ালি ছেও, মৰা ছেও, মৃদঙ্গীয়া গায়ন-বায়নৰ শালিকী চৰাই নাচ, খোলাং বুঢ়ী নাচ আদি উল্লেখযোগ্য। বিবাহ অনুষ্ঠানত প্ৰদৰ্শিত খোলাং 'বুঢ়ী নাচ' লোক নাট্যভিনয়ৰ ক্ষেত্ৰত জনগোষ্ঠীটোৰ গুৰুত্বপূৰ্ণ অংগ। নাৰী প্ৰাধান্য 'খোলাং বুঢ়ী নাচ' অসমীয়া সংস্কৃতিলৈ ঠেঙ্গাল কছাৰীসকলৰ বিশিষ্ট অৱদান। পুৰুষে প্ৰদৰ্শন কৰা লোক অনুষ্ঠানবোৰত নাৰী প্ৰত্যক্ষভাৱে জড়িত নহ'লে পৰোক্ষ সহযোগিতা নুই কৰিব নোৱাৰি। কাৰণ পুৰুষ উভয়ৰে গ্ৰহণযোগ্যতাতহে সমাজ-সংস্কৃতি জীয়াই থাকে। সেয়েহে ঠেঙ্গাল কছাৰী নাৰীসকলৰ লোক পৰিৱেশ্য কলা সম্পৰ্কে বিচাৰ কৰোতে পুৰুষ পৰিৱেশিত লোক অনুষ্ঠানবোৰৰো প্ৰয়োজন আছে।

## ২.০১ ঠেঙ্গাল কছাৰীসকলৰ হুঁচৰিৰ কছাৰীছেও নাচ ঃ

'ঠেঙ্গাল কছাৰীসকলৰ হুঁচৰিত পৰিৱেশন কৰা বুঢ়া ছেও বা কছাৰী ছেও' তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতিৰ এক নিজা বৈশিষ্ট্য। অসমৰ সাংস্কৃতিক বিহুলৈ ঠেঙ্গাল কছাৰীসকলৰ বহুতো অৱদান আছে। তাৰ ভিতৰত ঢোলৰ ক্ষেত্ৰত কছাৰী ছেও, খৰা ছেও, হুড়ালি ছেও যদিও অসমৰ বিভিন্ন ঠাইত কছাৰী ছেও বজায় কিন্তু শুদ্ধ ৰূপত অকল তিতাবৰ বৰএৰা ন-পাম, কছুখাট, চলয়া আদি গাঁৱতহে শুদ্ধ ভাৱে বজায়। ঠেঙ্গাল কছাৰী ডেকা বা বয়োজ্যেষ্ঠ পুৰুষসকলে প্ৰথমে নামঘৰত একগোট হৈ গধূলিলৈ মেধিৰ ঘৰত প্ৰথম হুঁচৰি গোৱা নিয়ম আছে। ঢোল, পেঁপা, গগনা, বাঁহী, তাল, সুতুলি, বীণ আদি লোকবাদ্য



Scanned by CamScanner

ঠেঙ্গালৰ হুঁচৰিত সংগত কৰা দেখা যায়। হুঁচৰিত ডেকা আৰু বুঢ়াসকলে এই নাচ পৰিৱেশন কৰা দেখা যায়। ঠেঙ্গালসকলে হুঁচৰিত ধৰ্মীয় পদেৰে আৰম্ভ কৰি গোলাকৃতি হৈ ধীৰ-গতিৰে হাত-ভৰি চালনা কৰে। পদৰ শেষতহে ঢোলৰ চাপৰ মাৰি নাচৰ ছেও বজায়।

কছাৰী ছেও-

দাওঁ দাওঁ ধিনদাওঁ,
দাওঁ দাওঁ দাওঁ দাওঁ তিঘ্ৰেন
তাখিৰ খিতা ৰিঘেন দাওঁ
ঘিনি তিঘ্ৰেন দাওঁ দাওঁ২
তিঘ্ৰন তিঘ্ৰন খিতিঘেন
তিঘ্ৰেন খিতা ৰিঘেন দাওঁ ঘিন
যেন দাওঁ ঘেনখিতা ৰিঘেন দাওঁ ঘিন
উৰু .... ঘেনাও ...... উৰু ঘেনাওঁ
ঘেনা তুঘেন খিট ঘেন
দাবি দুবি দাওঁ
লেতেকুৰু খেতেকুৰু ধুৰু২ দাওঁ দাওঁ

হুড়ালি ছেও-

দালে ধিন ধিন দাওঁ২
ঘেন দাওঁ ঘেন খিত দাওঁ২
ঘেন দাওঁ ঘেন খিত তিঘ্ৰন দাওঁ দাওঁ

খৰা ছেও-

ঘেন তুঘ্ৰেন দাওঁ দাওঁ
ঘেন ঘেনা খিতি ঘেন
তাখি তুঘ্ৰেন দাওঁ দাওঁ২
তুঘ্ৰেন দাওঁ তুঘ্ৰেন দাওঁ
তাখি তুঘ্ৰেন দাওঁ দাওঁ২
ঘেন খিত প্লাক খিত প্লাক
খিতি খিত প্লাক খিত প্লাক
খিত তাখি ঘেন ঘেনা ঘেন।

হুঁচৰিৰ কছাৰী ছেওঁ নাচত লোকবাদ্য সংগত কৰা হয়। ঢোল, তাল, পেঁপা উপৰিও বীণৰ ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। নৃত্য কৰোঁতে ঢুলীয়াসকলে আঠুৰ মুৰত মুগাৰ চুৰীয়া গাত মুগাৰ চাপকন পিন্ধাৰ উপৰিও কঁকালত টঙালি মূৰত গামোচাৰ পাগ মাৰে।

সম্পূৰ্ণ হুঁচৰি অনুষ্ঠানটোত গীত-পদ-যোজনা পৰিৱেশন কৰা হয় যদিও কছাৰী ছেও নাচত ঢোলৰ চাপৰতহে প্ৰধানকৈ নৃত্য কৰে। ঠেঙ্গাল কছাৰীসকলৰ ঢোলৰ কছাৰী ছেও, হুড়ালী ছেও, খৰা ছেও নাচৰ



Scanned by CamScanner

ভংগীমা হুঁচৰিৰ অন্যান্য বিহু নাচৰ পৰা যথেষ্ট পৃথক। সেয়ে কছাৰী ছেও নাচে ঠেঙ্গাল জনগোষ্ঠীটোৰ লোক সাংস্কৃতিক মৰ্যাদা আৰু পৰিচয় অসমীয়া সংস্কৃতিত অক্ষুণ্ণ ৰাখিছে।

**২.০২ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ মৃদঙ্গীয়া গায়ন-বায়ন ঃ**

মৃদঙ্গীয়া গান-বায়ন ঠেঙ্গাল কছাৰী সমাজৰ বিশিষ্ট পৰম্পৰা। পুৰুষৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নৃত্য-গীত-বাদ্যযুক্ত এই কলা জনগোষ্ঠীটোৰ ধৰ্মীয় আৰু সংস্কাৰমূলক ৰীতিৰ এৰাব নোৱৰা অংগ। ঠেঙ্গাল কছাৰীসকলে মৃদঙ্গীয়া গায়ন-বায়নক ধৰ্মীয় অনুষ্ঠানৰূপে স্বীকৃতি দিয়ে। বিভিন্ন ধৰ্মীয় উৎসৱত মৃদঙৰ ঘাট বজোৱা জনগোষ্ঠীটোৰ নিয়ম। অতীতৰ ৰাজদবাৰৰ ৰাজকীয় বা সন্মানীয় ব্যক্তিক আনুষ্ঠানিকভাৱে আদৰণি জনাবলৈও মৃতকৰ ঘাট বজায়। সত্ৰাধিকাৰক আদৰণি জনাবলৈও মৃতকৰ শ্ৰাদ্ধত, বিবাহ অনুষ্ঠান মৃদঙ্গীয়া গায়ন-বায়ন অপৰিহাৰ্য। মৃদঙ্গীয়া গায়ন-বায়ন পৰিৱেশন কৰিবৰ বাবে চাৰিজনৰ পৰা ছয়জন বায়ন আৰু ছয়জনৰ পৰা আঠজন-বাৰজন পৰ্যন্ত গায়নৰ প্ৰয়োজন। সমূহীয়াকৈ পৰিৱেশন কৰা এই অনুষ্ঠানত চাৰিজন বায়ন আৰু ছয়জন গায়ন থকাটো বাধ্যতামূলক।

মৃদঙ্গীয়া গায়ন-বায়নৰ অনুষ্ঠানত মৃদঙ্গৰ চাপৰক ঠেঙ্গাল কছাৰীসকলে 'ঘাট' বুলি কয়। ঠেঙ্গাল সমাজৰ এই লোকনৃত্যানুষ্ঠানৰ বাদ্য শৈলী, সুৰ, তাল-লয়, অঙ্গী-ভঙ্গী, পদচালনা আদিত ভাৰতীয় ধ্ৰুপদী নৃত্য কলাৰ সমন্বয় লক্ষ্য কৰা যায়। মৃদঙ্গীয়া গায়ন-বায়ন নৃত্য প্ৰধান বুলিও ক'ব পাৰি। নৃত্যশৈলীত কৰা পদসঞ্চালন মৃদঙ্গীয়া গায়নৰ অন্যতম আকৰ্ষণ।

মৃদঙ্গীয়া গায়ন-বায়নৰ ঘাট বা চাপৰক কেইটামান ভাগত বিভক্ত কৰা যায়–

(ক) আদৰণি বা গুৰুঘাট

(খ) মান

(গ) চিয়াৰ

(ঘ) তাল

(ঙ) ধেমালি

(চ) চুৰা

আদৰণি ঘাট বজাওতে থিয়হৈ আৰু বহিও বজোৱা হয়। নিমন্ত্ৰিত বিশিষ্ট অতিথি বা সত্ৰাধিকাৰ আগমণত আদৰণি জনাবলৈ থিয় হৈ ঘাট বজাব লাগে। কিন্তু শ্ৰাদ্ধত কৰ্মৰ বাহিৰে মৃদঙ্গৰ ঘাট বজায়।

**<u>আদৰণি ঘাট থিয় হৈ বজোৱা ঘাট ঃ</u>**

ঘেটিত ঘ্ৰেইন দাও তিন্ তিঘ্ৰেন দাও
ঘেটিত ঘ্ৰেইন দাও তিন্ তিঘ্ৰেন দাও
তিন্ খেতা ঘ্ৰেদিন দাও, দাও দিদাও দিন দাও
খেতা খেতা তাখে তিন ঘেদাও... দাও দাও ঘিন

**<u>গুৰুঘাট বহি গোৱাঃ</u>**

ধেই... ঔৰু... ধেই
ধেই... ঔৰু... ধেই
তিন্‌ধিত তাও খেতনি তাও
ধে... ধে... ধেইন দাও



Scanned by CamScanner

ঘেদেতা ঘেতিন খেতি তাও ঘেঘিত
ধে... থিত ধেই
আদৰণি গুৰুখাট গোৰা পাছত মান গায় এনেদৰে-

**মানচপচপনি ঃ**

খে খে তিন ঘেদিতা তাঘ্রেতিন ধিত তাও
ঘেইন ঘেইন দাও ... ঘেইন দাও ঘেইন দাও
ধে ধেইন দাও ... ধে ধেইন দাও
ধে ধে ধে ধেইন দাও
ধে ধে ধেইন দাও
ধেইন দাও ধেইন দাও
ঘেদিত খেতাও তিন ধেইন দাও দাও
তাঘ্রে দিতা ঘেদিন দাও খেতি খেতি তাঘ্রে তিন
তাঘ্রে দিতা খেতিহ ঘেহ
ৰাঘে তিন ধিত দেই ঔ...

**সামৰণি ঃ**

ঘেতিন দাও ঘেদিন দাও
তাকে খেদা খেত
ঘেই খেতা খেতা তিনধিত তাও
তিন তাঘ্রে তিন যে তিন তিঘ্রে দাও
তাও তাও ধেই
তিন ধেই ধেইন দাও খেতাও তিন ধে ধেইন
তিন ধিত তাঘ্রে তিন ধিত তাঘ্রে
খেতা ঘেদিন দাও দাও তিন
ঘেতিন ঘেদাও তাঘ্রে তিন খেতাও
ঘেইন দাও ঘেইন দাও
ঘেদেতা তাঘ্রে তিন ধিত তাও তাও
ধেই...

**কাণ কোবোৰা মান ঃ**

ঘেন দাও তিন ঘিত তাও
খেতাও তিন ধিত তাও
ঘেন দাও তিন ঘিত খেটাও তিন ঘিত
ঘেদাও তিন ধিত তাও
তাঘ্রে যে যে ঘেইন দাও
ধেই তাঘ্রে দিতা খেতে ঘেঘে দিতা খেতা



Scanned by CamScanner

ঘেদা ঘেদি নিতি খেতা খেতিন, ধেই খিত
তাঘ্রে দিত তাও তাও ধেই।

<u>সামৰণি ঃ</u>

ঘে ঘে দিদাও
ঘে ঘে দি দাও
ঘে ঘে দি দাও
ধেই খেতাও
খেতিন তাকে ধেই
তিন ঘেৰ খেতিন ঘেৰ লেতি খেতি
তিন ঘেৰ খেতিন ঘেৰ লেতি খিতি ধেই

মানৰ নখন ঘাট মাৰে। তেনেদৰে ধেমালি আৰু বৰ-ধেমালি ঘাট বজায়। বৰ-ধেমালিৰ মাজত কাছ বগোৰা কেৰ্কেটুৰা জপিওৰা নাচ মৃদঙ্গীয়া গায়ন-বায়নত দেখা যায়। মৃদঙ্গ আৰু তালৰ সঙ্গতত মৃদঙ্গৰ চাপৰত শালিকী চৰাই জপিওৰা বগলী জুপা আদি নৃত্য প্ৰদৰ্শন কৰে। ঠেঙ্গাল কছাৰী মৃদঙ্গীয়া গায়ন-বায়নত এনেবোৰ নৃত্যই যথেষ্ট আমোদ দিয়ে। ‘শালিকী জপিওৰা নাচৰ পৰিৱেশন শৈলী যথেষ্ট কষ্টকৰ। তেওঁলোকে মৃদঙ্গৰ ঘাট মাৰি সম্পূৰ্ণ আগলৈ হাউলি ব'হাগ ভংগীমাত এই নাচ পৰিৱেশন কৰে। পাছলৈ তিনিবাৰ আৰু আগলৈ তিনিবাৰকৈ জাপ মাৰি পদটালনা কৰে। দুই ভৰি সমানে লৈ সম্পূৰ্ণ শালিকীৰ দৰে জাপ মৰাৰ বাবে এই ভংগীমাক শালিকী জপিওৰা নাচ বুলি কয়। শালিকী জপিওৰা নাচৰ মৃদঙ্গৰ ঘাট-

তিনৰৰৰ খেত তিনৰৰৰ খেত
তিনৰৰ তিনৰৰৰ তিনৰৰৰ খেত
তিনখেতে ঘেদিন ঘেই
তিনখেতে ঘেদিন ঘেই
তিন ঘেই তিন ঘেই তিন
তিনখেতে ঘেদিন ঘেই
তিন ঘেই তিন ঘেই তিন
ঘেৰ খিতা ঘেঘেদিন ঘেদিন
ঘেদিন তিন তিতি তিঙ
তিঙ তিন ধিত ধেই তিন দাও।

ঠেঙ্গাল কছাৰী সমাজত মৃদঙ্গীয়া গায়ন-বায়নে বৰ্তমানেও পূৰ্বৰ পৰম্পৰা সমানে ৰক্ষা কৰি আছে। জনগোষ্ঠীটোৰ পৰিৱেশ্য কলাকো গায়ন-বায়নে সমৃদ্ধ কৰি আহিছে। তেওঁলোকে এই নৃত্য পৰিৱেশন কৰোতে মুগাৰ চুৰিয়া আঠুমূৰলৈকে গাত জাকিত চোলা পিন্ধে আৰু মূৰত পাগুৰি মাৰে।

**২.০৩ ঠেঙ্গাল কছাৰী নাৰীসকলৰ খোলাং বুঢ়ী নাচ ঃ**

ঠেঙ্গাল কছাৰীসকলৰ নিজস্ব কৃষ্টিসমূহৰ অন্যতম হ'ল- খোলাং বুঢ়ী নাচ। ঠেঙ্গাল কছাৰীসকলৰ মাজত অতি জনপ্ৰিয় এই কৃষ্টি। ৭০ ৰ দশকৰ আগলৈকে বহুলভাৱে সমাদৃত আছিল



Scanned by CamScanner

যদিও আধুনিকতাৰ ধামখুমীয়াত ই ম্লান পৰা দেখা গৈছে। তথাপি এই নাচ বৰ্তি আছে আৰু সংস্কৃতি প্ৰাণ ৰাইজৰ ঠেঙ্গালসকলৰ প্ৰচেষ্টাত পুনৰ প্ৰাণ পাই উঠা দেখা গৈছে। 'খোলাং বুঢ়ী নাচ'ৰ 'খোলাংবুঢ়ী', 'কুলাবুঢ়ী', 'কলাবুঢ়ী' ইত্যাদি নামেৰেও ঠেঙ্গাল কছাৰী সমাজত প্ৰচলিত খোলাং বুঢ়ী নাচত মাটিৰ ভগা পাত্ৰৰ খোলাকটিৰ টোপোলা ব্যৱহাৰ কৰা হয় বাবে কোৱা হয় 'খোলাংকৰী' বা 'খোলাবুঢ়ী'। ডলা বা কুলা লৈ নাচে বাবে 'কুলাবুঢ়ী' বুলি কয়। এই নাচৰ প্ৰধান উদ্দেশ্য হৈছে হাস্যৰস।

বৰ বিয়াৰ গাঁঠিয়ন খুন্দা দিনা খোলাং বুঢ়ী নাচ আছে। মূল বিয়াৰ আগত জোৰণ দিয়া দিনা গধূলি গাঁঠিয়ন খুন্দে। দৰা আৰু কইনা উভয়ৰ ঘৰতে গাঁঠিয়ন খুন্দাৰ নিয়ম পালন কৰে। গধূলি গাঁঠিয়ন খুন্দা কোঠাটোতে দৰা বা কইনাৰ সৈতে বহি থকা মানুহবোৰৰ সন্মুখত এগৰাকী বুঢ়ীয়ে আৰু এই খোলাংবুঢ়া নাচ নাচোতাগৰাকী সাধাৰণতে বয়োজ্যেষ্ঠ হয়। খোলাংবুঢ়ী নাচোতে নাচনীগৰাকীয়ে হাতত এডাল লাখুটি, মূৰত এখন ডলা লৈ নাচে আৰু লাখুটিডালক ডেৰেঙা মাৰি বুলি কয়। লাখুটিডালত তলফালে ফটা থাকে যাতে নাচোতে খেতেক খেতেককৈ মাত ওলায়। লাখুটিডালৰ এমূৰত মাটিৰ টেকেলি বা কলহৰ খোলাকটি কাপোৰত টোপোলা বান্ধি লয়। মূৰত এখন ডলা লৈ হাতত থকা লাখুটিডাল মাটিত খুন্দিয়াই ঢোলৰ ছেৱত গীত গাই নাচে। 'খোলাংবুঢ়ী নাচত গোৱা প্ৰথমাংশ—

লাখুটি বাওঁ, লাখুটি বাওঁ
লাখুটি নহ'লে কেনেকৈ যাওঁ।

এই ছেৱৰ লগত তাল মিলাই নাচি দৰাঘৰ হ'লে নিজৰ ছোৱালীৰ বাবে দৰা আৰু কইনা ঘৰ হ'লে নিজৰ ল'ৰাৰ বাবে কইনা বিচাৰি মাটিৰ খোলাকটি খিনিকে টকা কৰি সেইখিনি দৰা বা কইনাক কিনি অলংকাৰ পিন্ধাই থৈ যায়। এই কামবোৰ কৰোতে নাচনীগৰাকীয়ে কাণেৰে কম শুনা ভাও ধৰে। খোলাংবুঢ়ী নাচত হাঁহিৰ ৰগৰ উঠে। বিয়া দিনা সুৰাগুৰি তুলিবলৈ যাওঁতে এইবোৰ কাম কৰা নহয়। অকল খোলাংবুঢ়ীয়ে মূৰত ডলা আৰু হাতত লাখুটি লৈ ঘাট বা পুখুৰীৰ দূৰত্বৰ ভিতৰত নাচি নাচি আনন্দ কৰে।

ঠেঙ্গাল কছাৰী নাৰীসকলে পৰিৱেশন কৰা 'খোলাং বুঢ়ী' নাচত লোক নৃত্যৰ বৈশিষ্টতা নুই কৰিব নোৱাৰি। অসমৰ বৈচিত্ৰপূৰ্ণ সমাজ আৰু সংস্কৃতিত ঠেঙ্গাল কছাৰীসকলৰ 'খোলাংবুঢ়ী' নাচ আপুৰুগীয়া সম্পদ। বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা 'খোলাংবুঢ়ী নাচ' পৰম্পৰাই জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় তুলি ধৰিছে।

**.৩.১ ঠেঙ্গাল কছাৰী নাৰীসকলৰ খোলাং বুঢ়ী নাচৰ গীত ঃ**

গীত-নৃত্য অভিনয় সুৰ-সমন্বয় হৈছে লোক পৰিৱেশ্য কলা। "নৃত্য-গীত-বাদ্য" এই তিনিবিধ কলাক একত্ৰে মিলন ঘটাই প্ৰাচীন পণ্ডিতসকলে সংগীত অথবা নাট্যৰ অৰ্থ বুজাইছিল। সংগীতৰ মাধ্যমতহে নৃত্য সৃষ্টি হয়। লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত গীতবোৰক সংগীত অভিধাৰে অভিহিত কৰিব পাৰি। এই গীতবোৰ লোকায়ত সমনাজৰ সৃষ্টি। পৰম্পৰাগতভাৱে লোক সমাজৰ মুখে মুখে প্ৰচলিত আৰু সংগীত ৰূপে স্বীকৃতি দিয়া হয়। নবীন চন্দ্ৰ শৰ্মাই লোক সংগীতক জনজাতীয় সংগীতৰূপেও অভিহিত কৰিছে। লোক সংগীত সুৰ লয়ৰ উৎস প্ৰকৃতাৰ্থত জনা নাযায়। সুৰ লয়ৰ কোনো সুনিৰ্দিষ্ট ৰূপ নিৰ্দ্ধাৰণ কৰাও নাযায়। ফলত বিভিন্ন ৰূপত সুৰ আৰু লয় পোৱা যায়। লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত লোক সংগীতৰ কথা-সুৰ-লয় বিচিত্ৰ।

ঠেঙ্গাল কছাৰীৰ 'খোলাংবুঢ়ী নাচ'ৰ মাজত লোকসাংগীতিক সমল স্পষ্ট। পৰিৱেশ্য কলাৰূপে



Scanned by CamScanner

লোক সাংগীতিক বৈশিষ্ট্য 'খোলাংবুঢ়ী নাচ'ৰ গীতত ৰক্ষা হৈছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা সম্বলিত গীতবোৰ নিৰ্দিষ্ট সুৰ-লয়েৰে বন্ধা নহয়। কথাৰ বিচিত্ৰতাও লক্ষণীয় গীতবোৰ তেনে কোনো লিখিত ৰূপত নাই। বাদ্য হিচাপে লোকবাদ্যৰ ভিতৰত ঢোলহে ব্যৱহাৰ হয়। 'খোলাংবুঢ়ী নাচ'ৰ নাচনীগৰাকীয়ে হাস্যৰসাত্মকভাৱে উপস্থাপন কৰিবলৈ থলীতে বিভিন্ন শব্দ প্ৰয়োগৰে গীত গোৱা হয়। কেতিয়াবা বিহু গীতৰ কথা আৰু সুৰৰো আশ্ৰয় লয়। গীতৰ কথাত জনজাতীয় সুৰ শব্দৰ পয়োভৰ ঘটে।

খোলাংবুঢ়ীৰ বিহু নাচ-

তা তিতা ই তিতা তাতাকলি
নাচে খোলাংবুঢ়ী কেন কৰি
চৰাই চিৰিকতি পশু পতং
নাচে খোলাংবুঢ়ী জপং জপং
ক'ৰ পৰা আহিলি কত দিলি ভৰি
বিয়া ঘৰ ফালিলি চেৰ চেৰ কৰি
চতাই পৰেৰতত আছিলে মই
বৰে কন্যা গোন্ধে পাই আহিলো হয়
তা তিতা ই তিতা তোক দিব পইচা
আৰু দিব গামোচা আমাৰ মনে মনে থাক[২]

ঠেঙ্গাল কছাৰীৰ নাৰীৰ স্বভাৱজাত সৃষ্টি 'খোলাংবুঢ়ী নাচ'ৰ গীতত লোকসাংগীতিক প্ৰায়বোৰ বৈশিষ্ট্য ৰক্ষা কৰা দেখা যায়।

**.৩.২ ঠেঙ্গাল সকলৰ খোলাং বুঢ়ী নাচৰ অভিনয় ঃ**

ঠেঙ্গাল কছাৰীৰ পৰম্পৰাগত 'খোলাংবুঢ়ী নাচ'ত অভিনয় আৰু নাট্য প্ৰসঙ্গ উল্লেখনীয়। খোলাংবুঢ়ী নাচত নাচোতেই আঙ্গিক অভিনয় কৰে। কথোপকথন অবিহনে কেৱল অঙ্গী-ভঙ্গীৰেহে খোলাংবুঢ়ী নাচে প্ৰকাৰ্য সাধন কৰে। খোলাং বুঢ়ী নাচোতা গৰাকীয়ে ভাও ধৰি গীতৰ কথকতাক নাচৰ দ্বাৰা ফুটাই তোলে। ইয়াত তেওঁৰ কলাত্মক গুণৰ প্ৰকাশ ঘটা দেখা যায়। কোনোবা এটা সময়ত নাচোতাই কলা বা আঁকৰাৰ ভাও ধৰে। নাচোতাগৰাকীৰ দৈহিক ভংগীমাই অভিনয় ৰূপ দৰ্শকক বুজাই দিয়ে দৰ্শকেও অসাধাৰণ গীত আৰু ভঙ্গীমাত নতুনত্ব বিচাৰি পোৱাৰ আনন্দত মতলীয়া হয়। খোলাংবুঢ়ী নাচনী গৰাকীয়েও নিজৰ প্ৰকৃত পৰিচয় পাহৰি নৃত্য আৰু অভিনয়ৰ সৈতে একাত্ম হৈ পৰে। 'খোলাং বুঢ়ী নাচ'ত নাত্যাভিনয়েৰে নাচোতা গৰাকীয়ে নিজৰ ল'ৰা-ছোৱালীৰ বাবে দৰা-কইনা বিচাৰে। নৃত্যৰ জৰিয়তে দৰ্শকৰ কোনো এগৰাকীক পচন্দ কৰি অলংকাৰ পিন্ধায় 'খোলাং বুঢ়ী নাচ'ৰ অন্তনিৰ্হিত এই উদ্দেশ্যৰ মাজত হাস্য কৌতুকযুক্ত কাহিনীৰ অংশ বিশেষ প্ৰত্যক্ষ কৰিব পাৰোঁ। বিয়া ঘৰত বয়োজ্যেষ্ঠা মহিলাই বিবাহৰ উপযুক্ত ল'ৰা-ছোৱালীৰ সন্ধান কৰে তেনে মহিলাক খোলাংবুঢ়ীয়ে প্ৰতিনিধিত্ব কৰে।

**.৩.৩ ঠেঙ্গালসকলৰ খোলাং বুঢ়ী নাচৰ বাদ্য ঃ**

গীত-নৃত্য-নাট নাটকৰ সৈতে বাদ্যযন্ত্ৰৰ সম্পৰ্ক অতিকে গভীৰ। সেই কাৰণেই গীত-নৃত্ত-নাট্য-নাট আদিৰ সৈতে বাদ্য সম্পৃক্ত হৈ থাকে। সেইকাৰণে কোৱা হয়- গীত-নৃত্ত-বাদ্য অভিনয়।



Scanned by CamScanner

বাদ্য অবিহনে যেন গীত-নৃত্ত-নাট্য-অভিনয় আদিয়ে প্ৰাণ পাই নুঠে অৰ্থাৎ নিষ্প্ৰাণ। বাদ্যযন্ত্ৰই সুৰ সঞ্চাৰেৰে গীতৰ ভাষাক প্ৰোজ্জ্বল কৰি তোলে যাক গীত অনুসৰি আৰু উৎসৱ-অনুষ্ঠান অনুসৰি বাদ্যযন্ত্ৰৰ ব্যৱহাৰো সুকীয়া। ব্যৱহাৰ আৰু সৃষ্টিৰ উৎসলৈ লক্ষ্য ৰাখি বাদ্যযন্ত্ৰক তিনিটা ভাগত ভাগ কৰিব পাৰি।
(ক) লোক, (খ) জনজাতীয় আৰু (গ) মাৰ্গী বা শাস্ত্ৰীয় বা উচ্চাংগ।[৬]

লোক পৰিৱেশ্য কলাৰ অন্যতম দিশ হ'ল লোকবাদ্যৰ ব্যৱহাৰ। ঠেঙ্গাল কছাৰীসকলৰ মাজত গীত-নৃত্যত লোকবাদ্যৰ ব্যৱহাৰ উল্লেখনীয়। ধৰ্মনিৰপেক্ষ উৎসৱ অনুষ্ঠানত ঢোল, তালৰ ব্যৱহাৰ সৰ্বাধিক দেখিব পোৱা যায়। খোলাংবুঢ়ী নাচত প্ৰধানকৈ ঢোলৰ ব্যৱহাৰহোৱা দেখা যায়। অৱশ্যে কেতিয়াবা তালৰো ব্যৱহাৰ হয়। খোলাংবুঢ়ী নাচনীগৰাকীয়ে হাতত লোৱা লাখুটি ডালো ঢোলৰ ছেৱত তাল ৰক্ষা কৰে আৰু লগে লগে খোলাকটিৰ টোপোলাৰ পৰা এক সুন্দৰ শব্দ হয়। সেই শব্দই ঢোলৰ সৈতে সঙ্গতিপূৰ্ণভাৱে আকৰ্ষণীয় বাজনাৰূপে কাম কৰে।

খোলাংবুঢ়ী নাচৰ বাবে ঠেঙ্গাল কছাৰীসকলৰ মুগাৰ পৰম্পৰাগত সাজ-সজ্জাক প্ৰাধান্য দিয়া হয়। যদিও খোলাংবুঢ়ী নাচৰ ক্ষেত্ৰত তেনে কোনো কথা নাই ঘৰতে তাত শালত বোৱা সাধাৰণ মেখেলা পিন্ধিব পাৰি। কেতিয়াবা পুৰুষে এই অনুষ্ঠান নৃত্য কৰা দেখা যায়। তেওঁলোকে মুগা অথবা কঁপাহী চোলা-চুৰীয়া, পাগুৰি আদি পৰিধান কৰি খোলাংবুঢ়ী নাচে আৰু কোনো কোনোৱে হাস্যৰসৰ বাবে ডিঙিত তামোলৰ বাকলি আদি গাঁঠি গহণা ৰূপে পিন্ধে।

অসমৰ বৈচিত্ৰ্যপূৰ্ণ সমাজ আৰু সংস্কৃতিত ঠেঙ্গাল কছাৰীসকলৰ 'খোলাংবুঢ়ী নাচ' আপুৰুগীয়া সম্পদ। বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা 'খোলাংবুঢ়ী নাচ' পৰম্পৰাই জনগোষ্ঠীৰ বৰবিয়াৰ 'গাঁঠিয়ন খুন্দা' আৰু 'সুৱাগুৰি তোলা' পৰ্বকেইটাকো খোলাংবুঢ়ী নাচে বিশিষ্ট মাত্ৰা প্ৰদান কৰে। আনহাতে খোলাংবুঢ়ী নাচৰ সামাজিক গুৰুত্বও যথেষ্ট। 'খোলাংবুঢ়ী নাচ' পৰিৱেশনৰ প্ৰধান উদ্দেশ্য হ'ল সমবেতক হাঁহিৰ খোৰাক যোগোৱা। আনন্দমূলক আৰু হাস্য-কৌতুকপূৰ্ণ অনুষ্ঠানৰূপে খোলাংবুঢ়ী নাচে বিবাহৰ আকৰ্ষণো বৃদ্ধি কৰে। ইয়াৰ দ্বাৰা নাৰীসকলৰ উৎসাহ-উদ্দীপনাৰে ভৰপূৰ বিবাহ অনুষ্ঠানত বিভিন্ন প্ৰকাৰে ধেমালি কৰা হয়। ধেমালিৰ চলেৰে নাৰীয়ে খোলাংবুঢ়ী নাচত নাৰীমনৰ কামনা প্ৰকাশ কৰে। যুগ্ম জীৱনৰ পাতনি মেলিবলৈ যোৱা দৰা-কইনাক খোলাংবুঢ়ী নাচনীয়ে ভৱিষ্যত জীৱন আনন্দদায়ক হোৱা কামনা কৰে উৰ্বৰ বৈবাহিক জীৱনৰ কামনাও খোলাংবুঢ়ী নাচত অন্তনিৰ্হিত হৈ আছে। খোলাংবুঢ়ী নাচে বিবাহ অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলাৰ উপৰিও তেওঁলোকে সাধাৰণ জীৱনৰ মাজত বিশেষ ছন্দ অনুভৱ কৰে। ঠেঙ্গাল কছাৰী নাৰী সমাজৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৃক্ত হৈ থকা খোলাংবুঢ়ী নাচে অন্যান্য জনগোষ্ঠীকো আকৰ্ষিত কৰি আহিছে। সেয়ে অন্যান্য জনগোষ্ঠীৰ বিবাহ অনুষ্ঠানতো ঠেঙ্গাল কছাৰীসকলৰ 'খোলাংবুঢ়ী নাচ' পৰিৱেশন কৰোৱা দেখা যায়। খোলাংবুঢ়া নাচে এফালেদি সাংস্কৃতিক সম্প্ৰীতিৰ নিদৰ্শন ৰূপেও সামাজিক গুৰুত্ব লাভ কৰিছে। জনগোষ্ঠীটোৰ লোক জীৱনৰ পৰিচায়ক 'খোলাংবুঢ়ী নাচ' অসমৰ লোক পৰিৱেশ্যকলাৰ এৰাব নোৱৰা অংগ।[৭]



Scanned by CamScanner

সিদ্ধান্ত ঃ

১। ঠেঙ্গাল কছাৰী জনগোষ্ঠী লোকসকল সামগ্রিকভাৱে লোক পৰিৱেশ্য কলাত চহকী।

২। ঠেঙ্গাল কছাৰী পুৰুষৰদ্বাৰা পৰিৱেশিত 'হুঁচৰিৰ কছাৰী ছেও নাচ' আৰু 'মৃদঙ্গীয়া গায়ন-বায়ন' বিশিষ্ট লোক পৰিৱেশ্যকলা। ইয়াত নাৰীসকলৰ পৰোক্ষ সহযোগিতা নুই কৰিব নোৱাৰি।

৩। ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত খোলাংবুঢ়ী নাচ অসমৰ পৰিৱেশ্য কলালৈ অনবদ্য অৱদান।

৪। লোকসাংস্কৃতিক সমলৰূপে খোলাংবুঢ়ী নাচে ঠেঙ্গাল লোকসকলৰ স্বকীয়তা ৰক্ষা কৰিছে বাবে নৱ প্ৰজন্ম পৰিচিত হোৱা প্ৰয়োজনীয়তা আছে।



Scanned by CamScanner

উপসংহাৰ ঃ

অসমৰ ভূমিপুত্ৰসকলৰ ভিতৰত ঠেঙ্গাল কছাৰীসকল অন্যতম 'অসমীয়া' হিচাপে নিজকে একাত্ম কৰি পেলোৱাৰ ক্ষেত্ৰত অসমৰ যি কেইটা জনগোষ্ঠীৰ নাম ল'ব পাৰি তাৰ ভিতৰত ঠেঙ্গাল কছাৰীসকলৰ নাম উল্লেখযোগ্য। ঠেঙ্গাল কছাৰীসকল কিছুমান স্বকীয় বৈশিষ্ট্যৰে বিদ্যামান।

ঠেঙ্গাল কছাৰী জনগোষ্ঠী লোক পৰিৱেশ্য কলা শীৰ্ষক বিষয়টোৰ প্ৰথম অধ্যায়ত ঠেঙ্গাল কছাৰীসকলৰ পৰিচয় দাঙি ধৰা হৈছে। অধ্যায়টোত ঠেঙ্গালসৰলৰ ঐতিহাসিক তথ্য, ঠেঙ্গাল নামৰ উৎপত্তিৰ, ঠেঙ্গালসকলৰ বংশ সৃষ্টি, ঠেঙ্গাল কছাৰীসকলৰ সমাজ ব্যৱস্থা, উৎসৱ-পাৰ্বণ, পূজা-পাতল, বিবাহ, অৰ্থনৈতিক অৱস্থা পৰিচয় দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত ঠেঙ্গাল কছাৰীসকলৰ লোক পৰিৱেশ্য কলা বিষয়ে আলোচনা কৰা হৈছে। লোক পৰিৱেশ্য কলাক প্ৰধানত তিনিটা ভাগত ভাগ কৰিব পাৰি। ভাগকেইটা হৈছে- লোক নৃত্য, লোক সংগীত, লোক নাট্য এই ভাগ তিনিটাৰ মাজত এক নিবিড় সম্পৰ্ক আছে। ঠেঙ্গাল কছাৰীসকলৰ লোক পৰিৱেশ্য কলাসমূহ যেনে- হুঁচৰিত কছাৰী ছেও নাচ, মৃদঙ্গীয়া গায়ন-বায়ন, খোলাংবুঢ়ী। নৃত্যৰ উল্লেখ কৰি পৰম্পৰাগতভাৱে চলি অহা সংস্কৃতিমূলক দিশবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।



Scanned by CamScanner

প্ৰসংগ সূচী ঃ

১। যোগেশ্বৰ বড়া ঃ ঠেঙ্গাল দৰ্পণ, পৃ. ১০

২। যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ.২২

৩। বৰ্ণালী শইকীয়া ঃ অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ সংস্কৃতিত নাৰীৰ ভূমিকা আৰু পৰিৱৰ্তন, গৱেষণা গ্ৰন্থ, পৃ.১৩

৪। যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ, পৃ. ২৪-২৫

৫। নবীনচন্দ্ৰ শৰ্মা ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, পৃ.৬

৬। নবীনচন্দ্ৰ শৰ্মা ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, পৃ.৭

৭। বৰ্ণালী শইকীয়া ঃ হীৰক ৰশ্মি, পৃ. ১৪৮



Scanned by CamScanner

গ্ৰন্থপঞ্জী ঃ


ঠেঙাল, হেমেন্দ্ৰ (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সপ্তম প্ৰকাশ, মাৰ্চ, ২০০৭

শইকীয়া, নগেন ঃ গৱেষণা পদ্ধতিৰ পৰিচয়, কৌস্তুভ প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়- ১ প্ৰথম প্ৰকাশ, ছেপ্টেম্বৰ, ১৯৯৬, নৱম মুদ্ৰণ মাৰ্চ, ২০০২

শইকীয়া, বন্তি (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন নৱম দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, জানুৱাৰী, ২০০৯

শইকীয়া, মণ্টু (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, এপ্ৰিল, ২০০২

শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০১৮

শৰ্মা, নবীনচন্দ্ৰ ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা, উত্তৰ-পূব গ্ৰন্থমেলা প্ৰথম প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, ২০০৯

শৰ্মা, মুকুট ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, অসম বুক ট্ৰাষ্ট, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুলাই, ২০১৯

শইকীয়া, সৰোজ (সম্পা) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন ৩০ মাৰ্চ, ২০১৯

হাজৰিকা, পদ্ম ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ চতুদৰ্শ দ্বি-বাৰ্ষিক অধিৱেশন, ১৫ মে', ২০২২




Scanned by CamScanner

| তথ্যদাতাৰ তালিকা | | |
|---|---|---|
| নাম | বয়স | গাঁও |
| যোগেশ্বৰ বড়া | ৭০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| সুচিত্ৰা কছাৰী | ৬০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| পুহিতা কছাৰী | ৬২ | কচুখাট, তিতাবৰ, যোৰহাট। |
| কনক কছাৰী | ৬৫ | কচুখাট, তিতাবৰ, যোৰহাট। |
| মিহিকান্ত কছাৰী | ৬৭ | কচুখাট, তিতাবৰ, যোৰহাট। |
| ফুল শইকীয়া | ৬৮ | চেকুৰীয়া, তিতাবৰ, যোৰহাট। |
| ডিম্বেশ্বৰ কছাৰী | ৮২ | লায়েট ন-চুঙী, তিতাবৰ, যোৰহাট। |
| ভুবন বড়া | ৬২ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| মোহন কছাৰী | ৪৫ | জালুকনিবাৰী, ন-পাম গাঁও, তিতাবৰ, যোৰহাট |



Scanned by CamScanner